# কৰ্মৰ সংশোধনৰ বাবে গুৰুত্ব পূৰ্ণ উপদেশ





হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)ৰ খোতবা জুমাৰ আলোকত



প্ৰকাশক

নজাৰত নশ্বৰ ইশ্বায়ত ছদৰ আঞ্জুমান আমদীয়া কাদিয়ান

# কৰ্মৰ সংশোধনৰ বাবে গুৰুত্বপূৰ্ণ উপদেশ

অনুবাদক
মজিবৰ ৰহমান মুবাল্লিগ ছিলছিলা
(ইনচাৰ্জ অসমীয়া ডেস্ক)

| | |
|---|---|
| নাম কিতাপ | কৰ্মৰ সংশোধনৰ বাবে গুৰুত্বপূৰ্ণ উপদেশ |
| অনুবাদক | মজিবৰ ৰহমান মুবাল্লিগ ছিলছিলা<br>(ইনচাৰ্জ অসমীয়া ডেস্ক) |
| মূল কিতাপ | ইচলাহে আমাল কি জৰৰি নচায়ে |
| প্ৰথম প্ৰকাশ | চন ২০২০,কপি ৫০০ |
| প্ৰকাশক | নজাৰত নশ্বৰ ও ইশ্বায়ত কাদিয়ান |
| মূদ্ৰণে | ফজলে উমৰ প্ৰিণ্টিং প্ৰেছ কাদিয়ান<br>জিলা গুৰদাছপুৰ,১৪৩৫১৬ (পঞ্জাৱ) |

| | |
|---|---|
| Name Book | Islahe Amal ki Zarri Nasaieh |
| Translated by | Mozibar Rahman Muballig Silsila |
| Original Book | Islahe Amal ki Zarri Nasaieh |
| First Published | 2020,Copies 500 |
| Published by | Nazarat Nashr-o-Ishaat Qadian |
| Printed at | Fazle Umar Printing Press Qadian<br>Dist: Gurdaspur,143516 (Punjab) |

# প্ৰকাশকৰ কথা

হজৰত খলিফাতুল মছীহ আল-খামিছ (আইঃ)ৰ লিখিত "ইচলাহে আমাল কি জৰৰি নছায়ে" পুস্তকখন উৰ্দুৰ পৰা অসমীয়ালৈ অনুবাদ কৰিছে মাননীয় মজিবৰ ৰহমান চাহাব মুবাল্লিগ ছিলছিলা (ইনচাৰ্জ অসমীয়া ডেস্কে)। পুস্তকখনৰ ৰিভিউ কৰিছে মাননীয় আমান আলী চাহাব মুবাল্লিগ ছিলছিলা,মাননীয় ৰহিম বাদশ্বাহ চাহাব মুবাল্লিগ ছিলছিলা,মাননীয় শ্বাহজাহান আলি চাহাব মুৰাল্লিম ছিলছিলা; আল্লাহ তায়লা তেখেত সকলক উত্তম পুৰস্কাৰেৰে পুৰস্কৃত কৰক। আমীন-

নাজিৰ নশ্বৰ ও ইশ্বায়ত কাদিয়ান

| ক্র,নং | সূচীপত্র | পৃঃ |
|---|---|---|
| 1 | কৰ্মৰ সংশোধনৰ পদ্ধতি | 5 |
| 2 | হজৰত মছীহ মাওউদ (আঃ)ৰ সত্যতা আৰু ন্যায় পৰায়ণতাৰ উদাহৰণ | 7 |
| 3 | হজৰত মহম্মদ (ছাঃ)ৰ চাহাবাসকলৰ কোৰবাণী | 9 |
| 4 | হজৰত মছীহ মাওউদ (আঃ) আৰু চাহাবাসকলৰ সত্যতা আৰু ন্যায় পৰায়ণতাৰ ঘটনাসমূহ | 14 |
| 5 | কৰ্মৰ অৱস্থাৰ সংশোধন অতি প্ৰয়োজনীয় | 17 |
| 6 | কৰ্মৰ সংশোধনত বাধা সৃষ্টি হোৱাৰ প্ৰথম কাৰণ | 23 |
| 7 | কৰ্মৰ সংশোধনত বাধা সৃষ্টি হোৱাৰ দ্বিতীয় কাৰণ | 24 |
| 8 | কৰ্মৰ সংশোধনত বাধা সৃষ্টি হোৱাৰ তৃতীয় কাৰণ | 26 |
| 9 | কৰ্মৰ সংশোধনত বাধা সৃষ্টি হোৱাৰ চতুৰ্থ কাৰণ | 27 |
| 10 | কৰ্মৰ সংশোধনত বাধা সৃষ্টি হোৱাৰ পঞ্চম কাৰণ | 28 |
| 11 | কৰ্মৰ সংশোধনত বাধা সৃষ্টি হোৱাৰ ষষ্টম কাৰণ | 29 |
| 12 | কৰ্মৰ সংশোধনত বাধা সৃষ্টি হোৱাৰ সপ্তম কাৰণ | 29 |
| 13 | কৰ্মৰ সংশোধনত বাধা সৃষ্টি হোৱাৰ অষ্টম কাৰণ | 30 |
| 14 | কৰ্মৰ সংশোধনৰ বাবে তিনিটা বস্তুৰ প্ৰয়োজন | 31 |
| 15 | মুৰব্বী আৰু পদবীদাৰীসকলৰ ফৰজ | 38 |
| 16 | কৰ্মৰ সংশোধনৰ কাৰণে চাৰিটা বস্তুৰ সহায়ৰ প্ৰয়োজন | 40 |
| 17 | আলিমসকল আৰু মুৰব্বীসকল নিজৰ হৃদয়ৰ সংশোধন কৰক | 44 |
| 18 | কৰ্মৰ সংশোধন সম্পৰ্কে হজৰত মছীহ মাওউস (আঃ)ৰ উপদেশ | 45 |

# কৰ্মৰ সংশোধনৰ পদ্ধতি

## ২৯ নৱেম্বৰ ২০১৩ চনৰ খোতবা জুমাৰ সাৰাংশ

তাশ্বাহুদ তাউজ আৰু চুৰা ফাতিহা পাঠৰ পিছত হজৰত আমিৰুল মোমিনুন খলিফাতুল মছীহ পঞ্চম (আইঃ)য়ে কোৰাণ মজিদৰ নিম্নলিখিত আয়াত পাঠ কৰে।

وَمَا خَلَقْتُ الْجِنَّ وَالْاِنْسَ اِلَّا لِيَعْبُدُوْنِ ﴿٥٧﴾

(51:57)

**অৰ্থ ঃ-** আৰু মই জিন আৰু মানুহক সৃষ্টি কৰিছোঁ এইটো অভিপ্ৰায়েৰে যাতে তেওঁলোকে মোৰ উপাসনা কৰে। (চুৰা আজ-জাৰিয়াত আয়াত ৫৭)

হুজুৰ (আইঃ)য়ে মানুহৰ জীৱনৰ উদ্দেশ্য সম্পৰ্কে বৰ্ণনা কৰি কয় যে এজন প্ৰাৰ্থনাকাৰীক তেতিয়াহে প্ৰকৃত প্ৰাৰ্থনাকাৰী ক'ব পৰা যাব যেতিয়া তেওঁ আল্লাহৰ সন্তুষ্টি বিচাৰিব আৰু পৃথিৱীৰ লাভালাভ নিবিচাৰিব; হুজুৰ কয় যে এই প্ৰবন্ধ মই সদায় বৰ্ণনা কৰি থাকো যাতে সিহঁতৰ লক্ষ্য সদায় ওপৰত উল্লেখিত কথাৰ ফালে থাকে। আজিৰ বিয়য়সমূহ হজৰত মুচলেহ মাওউদ (ৰাঃ) দ্বিতীয় খলিফাৰ খোতবাৰ পৰা লৈ আপোনালোকৰ সন্মুখত উপস্থাপন কৰিব বিচাৰো, যেনেকুৱা হজৰত মুচলেহ মাওউদ (ৰাঃ)ৰ পদ্ধতি আছিল যে কোনো বিয়য়সমূহ ঘটনাৰ সৈতে বৰ্ণনা কৰিছে। মই জিন আৰু মানুহক কেৱল মোৰ উপাসনাৰ বাবে সৃষ্টি কৰিছোঁ। (চুৰা আজ-জাৰিয়াত আয়াত ৫৭) এই বিয়যটো বৰ্ণনা কৰি হুজুৰ (আইঃ)য়ে কয় যে এইটো এটা ডাঙৰ উদ্দেশ্য যাৰ কাৰণে মানুহক সৃষ্টি কৰিছে । কিন্তু বিজ্ঞ দাৰ্শনিক আৰু শিক্ষিত মানুহে প্ৰশ্ন উত্থাপন কৰে যে মানুহৰ সৃষ্টিৰ উদ্দেশ্যত কোনো সফলতা অৰ্জন হ'ব পাৰিছেনে ? এইটোও প্ৰশ্ন কৰে প্ৰকৃততে মানুহে সিহঁতৰ উদ্দেশ্য পূৰ্ণ কৰিব পাৰিছেনে ? প্ৰকৃততে এই ধৰণৰ সফলতা অৰ্জন কৰিব পাৰিছেনে ? যাৰ ফল স্বৰূপে ক'ব পাৰো যে তেওঁ আল্লাহৰ প্ৰকৃত প্ৰাৰ্থনাকাৰী হ'ব পাৰিছে।

প্ৰশ্ন এয়াও কৰে যে মানুহক সৃষ্টি কৰা কোনোবা আছেনে ? আৰু কিয় তেওঁ তেওঁৰ উদ্দেশ্যত সফলতা অৰ্জন কৰিব পৰা নাই ?

আল্লাহ্ তায়লা নবীসকলক এইবিলাক প্ৰশ্নৰ উত্তৰ দিয়াৰ কাৰণে প্ৰেৰণ কৰে, আৰু পুণ্য কামৰ এনেকুৱা দৃশ্য দেখুৱায় যাক দেখি শত্ৰুসকলেও এই কথা স্বীকাৰ কৰাৰ বাবে বাধ্য হয় যে মানুহৰ সৃষ্টিৰ উদ্দেশ্য পূৰ্ণ হৈ গৈছে । আল্লাহ্ তায়লা নবীসকলৰ যুগক **লায়লাতুল কদৰ** বুলি আখ্যায়িত কৰিছে যেনেকুৱা আল্লাহ তায়লা কৈছে,

لَيۡلَةُ الۡقَدۡرِ ۙ خَيۡرٌ مِّنۡ اَلۡفِ شَهۡرٍ (97:4)

**অৰ্থ ঃ-** নিৰ্দেশৰ নিশাটো এহেজাৰ মাহতকৈ উত্তম ; (ছুৰা কদৰ আয়াত ৪) অৰ্থাৎ এক ছদী বা শতাব্দীৰ মানুহ যদি এটা ৰাতিৰ বাবে কোৰবাণী কৰে অথচ এই কোৰবানী যথেষ্ঠ নহ'ব সেইটোৰ সন্মুখত যিটো নিয়ামত নবীসকলৰ মাধ্যমে প্ৰাপ্ত হয় । হুজুৰ কৈছে যে এই বছৰ মই কিছু খোতবা কৰ্মৰ সংশোধনৰ বাবে প্ৰদান কৰিছিলোঁ, এইবিলাক আছিল চন ১৯৩৬ ৰ কথা। সেই সময়ত দ্বিতীয় খলিফাই কিছুমান খোতবা প্ৰদান কৰিছিল তাতে এইটো বৰ্ণনা কৰিছিল যে কৰ্মৰ সংশোধন কৰাটো ডাঙৰ উদ্দেশ্য হয়, সেয়া পূৰ্ণ কৰাৰ বাবে আল্লাহ তায়লা হজৰত মছীহ মাওউদ (আঃ)ক প্ৰেৰণ কৰিছে।গতিকে আমাৰ প্ৰত্যেকজনে মহান ত্যাগ কৰি আদৰ্শ স্থাপন কৰা উচিত। এইটো কেৱল সেই যুগৰ কথা নাছিল, বৰঞ্চ এইটোৰ গতি পৰম্পৰা। আজি আৰু ভৱিষ্যতত এইটোৰ প্ৰয়োজন আছে আৰু হৈ থাকিব। কৰ্মৰ ডাঙৰ উদাহৰণ হ'ল সততা; এটা উদাহৰণ মই সত্যতাৰ দি আছো,যদি এইবোৰ আমাৰ কৰ্মক্ষেত্ৰৰ প্ৰতি দৃষ্টি নিক্ষেপ কৰো তেতিয়া কেনেকুৱা হ'ব, কৈছে যে এইটো এনেকুৱা বস্তু হ'ব যাক দেখি শত্ৰুসকলেও অনুভৱ কৰিব। মনৰ পৱিত্ৰতা আৰু ঈমান শত্ৰুসকলে দেখা নাপায়,কিন্তু সত্যতাক সিঁহতে দেখা পায়। এইটো সঁচা যে সত্যতাই মানুহক বহুত প্ৰভাৱ পেলাব পাৰে সেই যুগত

হজৰত মুচলেহ মাওউদ (ৰাঃ)আছিল, বৰ্তমান যুগত মোলৈ চিঠি-পত্ৰ অৰ্জিত হয় তাতে আহমদীসকলৰ কথা বৰ্ণনা থাকে সেই কাৰণে সিহঁতে জমাতৰ প্ৰশংসা কৰি থাকে; আৰু যিসকল আহমদীয়ে ধোকা (প্ৰতাৰণা) কৰে, মিছাৰ আশ্ৰয় লৈ সিহঁতৰ বিষয়ে মোক লিখি থাকে যে জমাতৰ মানুহ প্ৰতাৰণা নকৰে বুলি বিশ্বাস কৰিছিলোঁ কিন্তু অমুক মানুহে মোক প্ৰতাৰণা কৰিলে প্ৰতাৰণা কৰা সকলে কয় যে, এইটো আমাৰ ব্যৱসায় বাণিজ্য যিটো আমি কৰি আছো এয়া জমাতৰ লগত কোনো সম্পৰ্ক নাই, আৰু জমাতৰ ওপৰত কোনো প্ৰভাৱো নপৰে, হুজুৰ কয় যে এইটো জমাতৰ ওপৰত নিশ্চয় প্ৰভাৱ পৰে আৰু জমাত বদনাম হোৱাৰ এটা পন্থা হৈ পৰে।

## হজৰত মছীহ মাওউদ (আঃ)ৰ সত্যতা আৰু ন্যায়পৰায়ণতাৰ উদাহৰণ

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে হজৰত মছীহ মাওউদ প্ৰতিশ্ৰুত মছীহ ও মাহদী (আঃ)ৰ দাবীৰ পূৰ্বৰ এটা ঘটনা বৰ্ণনা কৰি কয় যে বংশগত মাটি-জমি লৈ এটা মোকৰ্দমা আছিল। দ্বিতীয় খলিফাৰ যুগত সেই মাটিৰ কাষত ছদৰ আঞ্জুমানৰ কাৰ্যালয় আছিল, এতিয়া কাদিয়ান বহুত পৰিৱৰ্তন হৈ গৈছে, কাৰ্যালয় তাৰ পৰা বেলেগ ঠাইত স্থানান্তৰ কৰা হৈছে। হুজুৰ কৈছে যে সেই মাটিৰ ওচৰত যিজন মানুহৰ ঘৰ আছিল তেওঁ মাটিখিনি নিজৰ দখলত লৈ লৈছিল, আচলতে মাটিখিনি আমাৰ বংশধৰৰ আছিল । হজৰত মছীহ মাওউদ (আঃ)ৰ ডাঙৰ ভাই সেই মাটিখিনি পোৱাৰ বাবে মোকৰ্দমা কৰিছিল, যেনেকুৱা এইটো হয় বাহ্যিক লোকৰ কাম। এনেকুৱা মোকৰ্দমাত সঁচা-মিছা দুয়ো ধৰণৰ সাক্ষী থাকে। হজৰত মছীহ মাওউদ (আঃ)ৰ ডাঙৰ ভাই এনেকুৱাই কৰিলে আৰু সাক্ষী বহুকেইজনক বনাই লৈ আহিলে। ঘৰৰ মালিকজনে কলে আমাৰ কোনো ধৰণৰ যুক্তি প্ৰমাণৰ দৰকাৰ নাই। তেওঁৰ সৰু ভাইটিক মাতি সাক্ষী ললেই হ'ব আৰু তেওঁ যি ক'ব সেয়াই আমি মানি ল'ম; (অৰ্থাৎ হজৰত

মছীহ্ মাওউদ (আঃ) ৰ কথা কলে, হজৰত মছীহ্ মাওউদ (আঃ)ক আদালতত মাতি অনা হ'ল আৰু তেখেতক সুধিলে যে সিহঁতক এই বাটেদি অহা যোৱা কৰা ইয়াত বহি থকা বহুত দিনৰ পৰা আপুনি দেখা পাই আছেনে ? হজৰত মছীহ্ মাওউদ (আঃ)য়ে কয়, হয় মই দেখা পাইছোঁ। আদালত বিৰোধ কৰা দলৰ পক্ষে ৰায় দি দিয়ে, হজৰত মছীহ্ মাওউদ (আঃ)ৰ ভাইজনে তেওঁৰ (অৰ্থাৎ হজৰত মছীহ্ মাওউদ (আঃ)ৰ ওপৰত বৰ খং কৰিব ধৰিলে তেতিয়া হজৰত মছীহ মাওউদ (আঃ)য়ে কয়, যিটো ঘটনা হয় সেইটো মই কেনেকৈ অস্বীকাৰ কৰিব পাৰো।

এনেকুৱাই হজৰত মছীহ্ মাওউদ (আঃ)ৰ বিৰুদ্ধে এটা গোচৰ তৰিলে যে আপুনি ডাক ঘৰক প্ৰতাৰণা কৰিছে, নিয়ম এইটো আছিল যে যদি কোনোবাই পেকেটত বা পাৰ্চেলত কোনো চিঠি সোমাই দিয়ে তেতিয়া এয়া ভৰা হৈছিল যে তেওঁ ডাক ব্যৱস্থাৰ সৈতে প্ৰতাৰণা কৰিছে আৰু টকা বচাইছে। এইটো এটা অপৰাধমূলক কাম আছিল,যাৰ শাস্তি আছিল কাৰাদণ্ড। হজৰত মছীহ মাওউদ (আঃ)য়ে পেকেটত এটা প্ৰবন্ধ প্ৰেছৰ পৰা ছপোৱাৰ বাবে পঠাইছিল আৰু এই প্ৰবন্ধৰ লগত এটা চিঠিও সোমাই দিছিল,যিটো সেই প্ৰবন্ধটোৰোৰেই এটা অংশ আছিল তাত কিছুমান হিদায়ত আছিল,ক্ষতি কৰা উদ্দেশ্য নাছিল। প্ৰেছৰ মালিকজন খ্ৰীষ্টান আছিল তেওঁ ৰিপোৰ্ট কৰি দিয়ে আৰু মছীহ্ মাওউদ (আঃ)ৰ ওপৰত মোকৰ্দমা চলায়, উকিল চাহাবে কয় যে মোকৰ্দমা কৰা ব্যক্তিজনৰ বিৰুদ্ধে প্ৰকাশ্য সাক্ষীৰ কোনো প্ৰয়োজন নাই, আপুনি অস্বীকাৰ কৰি দিয়ক যে মই চিঠি ভিতৰত ৰখা নাই, আপোনাৰ একোৱেই নহ'ব। হজৰত মছীহ্ মাওউদ (আঃ)য়ে কয় এয়া হ'বই নোৱাৰে যে যি কাম মই কৰিছোঁ সেইটো মই কেনেকৈ অস্বীকাৰ কৰিম। যেতিয়া আদালতত উপস্থিত হ'ল তেতিয়া বিচাৰকে সুধিলে যে আপুনি প্ৰবন্ধৰ লগত কোনো ধৰণৰ চিঠি ভিতৰত ৰাখিছেনে ? হজৰত মছীহ মাওউদ (আঃ)য়ে কয় মই ৰাখিছোঁ কিন্তু কোনো প্ৰতাৰণা কৰাৰ বাবে ৰখা নাছিলোঁ বৰং চিঠিখন সেই প্ৰবন্ধটোৰোৰেই

এটা অংশ আছিল বুলি মই তাত ৰাখিছিলোঁ। এই সত্যতা দেখি আদালতৰ ওপৰত বৰ প্ৰভাৱ পৰে আৰু ন্যায়াধীশে কয় যে এজন সত্যবাদী মানুহক শাস্তি দিব নোৱাৰো, এনেদৰে হজৰত মছীহ্ মাওউদ (আঃ)ক শাস্তিৰ পৰা মুক্তি কৰি দিয়ে। হুজুৰ কৈছে যে নবীসকল পৃথিৱীত আহি সত্যতা প্ৰতিষ্ঠিত কৰে আৰু আদৰ্শ দেখুৱায় যে দেখাজনে কোনো প্ৰভান্বিত নোহোৱাকৈ থাকিব নোৱাৰে। ৰছুলে কৰিম (ছাঃ) পৃথিৱীত আহি কোনো গুলী-বাৰুদ আৰু মেচিন আৱিষ্কাৰ কৰা নাছিল, বেংক বনোৱা নাছিল, ব্যাপাৰ-বাণিজ্যৰ কাৰণে কোনো মেচিন আৱিষ্কাৰ কৰা নাছিল, তেন্তে সেইটো কি বস্তু আছিল যি পৃথিৱীৰ মানুহক দিছিল যাৰ সংৰক্ষণৰ দায়িত্ব আপোনাৰ মান্যকাৰীসকলে লৈছিল। সেইটো আছিল সত্যতাৰ আত্মা, উন্নত আদৰ্শ, এইটো প্ৰথমে নাইকিয়া আছিল, আপুনি প্ৰথমে সেইবোৰ অৰ্জন কৰিছে তাৰ পিছত বিশ্ববাসীক প্ৰদান কৰিছে। চাহাবাসকল আৰু সিহঁতৰ সন্তান-সন্ততি সকলৰ ওপৰত এই বস্তুবোৰ সংৰক্ষণ কৰাৰ দায়িত্ব ন্যস্ত আছিল।

## হজৰত মহম্মদ (ছাঃ)ৰ চাহাবাসকলৰ কোৰবাণী

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে ৰছুলে কৰিম (ছাঃ)ৰ জীৱন সুৰক্ষিত ৰখাৰ বাবে চাহাবাসকলে ইমান কষ্ট কৰিছে যে সেইবোৰ ঘটনা পঢ়িলে শৰীৰৰ নোম শিয়ৰ্ হৈ উঠে আৰু সিহঁতৰ ভালপোৱা (প্ৰেম) চালে আজিও মনত প্ৰেমৰ উদ্দীপনা সৃষ্টি হয়। উহুদৰ যুদ্ধত এনেকুৱা মুহূৰ্ত আহে যে কেৱল মাএ এজন চাহাবা ৰছুলে কৰিম (ছাঃ)ৰ লগত ৰৈ যায় শত্ৰুসকলে ধাৰাবাহিক ভাৱে কাড়, শিলগুটি নিক্ষেপ কৰি আছিল, চাহাবাজনে নিজৰ হাত হজৰত মহম্মদ (ছাঃ)ৰ মুখমণ্ডলৰ সন্মুখত ৰাখে, তেওঁৰ হাতখনত ইমান কাড় আৰু শিলগুটিৰ দ্বাৰা আঘাতপ্ৰাপ্ত হয় যে হাতখন চিৰদিনৰ বাবে ঘুণীয়া হৈ যায়। কোনোবাই চাহাবাজনক সুধিলে,আপোনাৰ হাতত কি হৈছিল তেওঁ কয় ইমান কাড় আৰু শিলগুটি লাগিছে যাৰ কাৰণে হাতখন চিৰদিনৰ বাবে ঘুণীয়া হৈ গৈছে। তেওঁ চাহাবাজনক সুধিলে যে আপুনি মুখৰ পৰা উফ্

শব্দ ওলোৱা নাছিলেনে ? চাহাবাজনে কয়,মুখৰ পৰা **উফ** ক'ব খুজিছিলোঁ কিন্তু মই মুখৰ পৰা উফ্ শব্দ ওলাব দিয়া নাই কাৰণ যদি মই **উফ শব্দ** কৰিলোঁহেঁতেন তেতিয়া মোৰ হাতখন ইফাল সিফাল হৈ গ'লহেঁতেন আৰু কাড়  আৰু শিলগুটি ৰছুলে কৰিম (ছাঃ)ৰ মুখমণ্ডলত লাগিলেহেঁতেন; হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে তুমি এই কোৰবাণীৰ বিষয়ে চিন্তা-ভাৱনা কৰিছানে ? আজি কোনো এজনৰ আঙুলিত আঘাত লাগিলে তেতিয়া তেওঁ কিমান চিঞৰ-বাখৰ কৰে, কিন্তু চাহাবাজনে কাড়ৰ আঘাত সহ্য কৰে আৰু চিৰদিনৰ বাবে হাতখন ঘুণীয়া হৈ যায়।

আকৌ এজন চাহাবাৰ কথা বৰ্ণনা কৰি কয়, এইটো উহুদৰ যুদ্ধৰ ঘটনা আছিল উহুদৰ যুদ্ধত কিছুমান চাহাবাসকলে পিছুৱাই যোৱাৰ পিছত আকৌ ঐক্যবদ্ধ হয় তেতিয়া ৰছুলে কৰিম (ছাঃ)য়ে কয়, ময়দানত গৈ চাহাবাসকলক চোৱা কোনে কোনে শ্বহীদ হৈছে আৰু আঘাতপ্ৰাপ্ত হৈছে। কিছুসংখ্যক চাহাবাসকলে ময়দানৰ ফালে আগবাঢ়ি যায় আৰু দেখা পায় যে এজন আনছাৰী চাহাবা আঘাতপ্ৰাপ্ত হৈ পৰি আছে। তেওঁ চাহাবাজনৰ ওচৰলৈ যায় আৰু দেখা পায় যে চাহাবা জনৰ বাহু আৰু ভৰিখন কটা অৱস্থাত আছে, অৰ্থাৎ তেওঁৰ জীৱনৰ শেষ মুহূৰ্ত। এই অৱস্থা চাই চাহাবাজনৰ ওচৰলৈ যায় আৰু কয় যে নিজৰ ঘৰৰ মানুহক যদি কোনো খা-খবৰ দিব খোজে দিব পাৰে মই তোমাৰ ঘৰত গৈ খবৰ জনাই দিম। সেই আঘাতপ্ৰাপ্ত চাহাবাজনে কয়, মই অপেক্ষা কৰিয়েই আছিলো যে মোৰ ফালে যেন কোনোবা আহে আৰু মই তেওঁক পয়গাম দিব পাৰো। গতিকে তুমি মোৰ ঘৰৰ মানুহক, মোৰ স্ত্ৰী আৰু ল'ৰা-ছোৱালীসকলক এই পয়গাম দি দিবা যে মহম্মদ (ছাঃ)এক মূল্যবান আমানত হয়, মই মোৰ জীৱনৰ শেষ মূহূৰ্তলৈকে তেখেত (ছাঃ)ক সুৰক্ষিত ৰাখিছো,এতিয়া মই পৃথিৱীৰ পৰা বিদায় লৈ আছো, গতিকে মই মোৰ আত্মীয়-স্বজনৰ ওপৰত বিশ্বাস ৰাখো যে মোতকৈ বেছি কোৰবাণী কৰি সিহঁতে এই মূল্যবান আমানত যেন ৰক্ষা কৰে। হুজুৰ কয় যে চিন্তা-ভাৱনা কৰি চোৱা, মৃত্যুৰ সময়ত  নিজৰ

স্ত্ৰী, ল'ৰা-ছোৱালীক কোনো সংবাদ দিয়াৰ সময় তেওঁৰ ওচৰত নাছিল, এনেকুৱা সময়ত মানুহৰ লেন-দেনৰ কথা মনত পৰে আৰু বহু ধৰণৰ চিন্তা-ভাৱনা তেওঁৰ ভিতৰত আহে সেই সময়ত চাহাবাজনৰ মনত এই ধাৰণা আহে যে নিজৰ আত্মীয়-স্বজনক কয়, হজৰত মহম্মদ (ছাঃ)ৰ জীৱনতকৈ নিজৰ জীৱনক মূল্যবান যেন নাভাৱে। যিসকলে হজৰত মহম্মদ (ছাঃ)ৰ কাৰণে জীৱন বিসৰ্জন দিছে তেওঁ সেই পয়গাম যি হজৰত মহম্মদ (ছাঃ)য়ে পৃথিৱীত প্ৰতিষ্ঠিত কৰিছে, তেওঁ নিজৰ কাৰণে কোনো কোৰবাণী কৰিব নোৱাৰিবনে ? চাহাবাসকলে যি কৰিছে এই বিষয়ে হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে উদাহৰণ স্বৰূপ, হজৰত মহম্মদ (ছাঃ)ৰ মৃত্যুৰ ঘটনা দাঙি ধৰিব খুজিছোঁ। চাওঁক; হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ) হজৰত মহম্মদ (ছাঃ)ৰ লগত কিমান প্ৰেম ভালপোৱা আছিল, যেতিয়া তেওঁ জানিব পাৰিলে যে হজৰত মহম্মদ (ছাঃ)ৰ মৃত্যু হৈছে তেতিয়া হজৰত মহম্মদ (ছাঃ)ৰ কল্যাণময় শৰীৰত চুমা দিয়ে, চকুলো নিৰ্গত হয়,হজৰত মহম্মদ (ছাঃ)ৰ সত্যতাৰ প্ৰতি কিমান প্ৰেম আছিল, হজৰত উমৰ (ৰাঃ)তৰোৱাল লৈ থিয় হয় আৰু কয় যিজনে ক'ব হজৰত মহম্মদ (ছাঃ)ৰ মৃত্যু ঘটিছে মই তেওঁৰ ডিঙি কাটি পেলাম। বহু চাহাবাসকলৰ হজৰত উমৰ (ৰাঃ)ৰ নিচিনাই ধাৰণা আছিল, চাহাবাসকলৰ এইবোৰ ধাৰণা থকা সত্ত্বেও হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)য়ে নিৰ্ভীক ভাৱে কয় যে যিজনে কয় হজৰত মহম্মদ (ছাঃ) জীৱিত আছে নিশ্চয় তেওঁ হজৰত মহম্মদ (ছাঃ)ক আল্লাহ বুলি মানে, মই তেওঁক কওঁ যে হজৰত মহম্মদ (ছাঃ) মৃত্যু বৰণ কৰিছে, কিন্তু সেই আল্লাহ যাৰ প্ৰাৰ্থনাৰ বাবে সেইজনাৰ উপাসনা কৰোৱাব আহিছিল সেইজনা জীৱিত আছে। এয়া সত্যতাৰ প্ৰভাৱ আছিল যাক হজৰত মহম্মদ (ছাঃ)য়ে চাহাবাসকলৰ হৃদয়ত সৃষ্টি কৰি দিছিল, যিসকল চাহাবা তৰোৱাল লৈ থিয় হৈছিল সিহঁতে এই কথা শ্ৰৱণ কৰাৰ লগে লগে নিজৰ মূৰ তলফালে অৱনত কৰে আৰু স্বীকাৰ কৰে যে প্ৰকৃততে হজৰত মহম্মদ (ছাঃ) মৃত্যু বৰণ কৰিছে।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে বৰ্ণনা কৰি কৈছে যে হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ৰ হজৰত মহম্মদ (ছাঃ)ৰ প্ৰতি এনেকুৱা প্ৰেম ভালপোৱা আছিল যি নিম্নলিখিত ঘটনাৰ পৰা অনুমান কৰিব পাৰি ।

হজৰত মহম্মদ (ছাঃ)য়ে নিজৰ মৃত্যুৰ পূৰ্বে এক লস্কৰৰ দল (ইছলামী সৈন্যবাহিনী) প্ৰস্তুত কৰিছিল যে শ্বাম দেশৰ কিছুসংখ্যক বিৰোধীসকলক সিহঁতৰ অত্যাচাৰৰ মূল অন্ত পেলাব লাগে, সৈন্যদল যুদ্ধৰ বাবে প্ৰস্তুত হোৱাই নাছিল ইতিমধ্যে হজৰত মহম্মদ (ছাঃ)ৰ মৃত্যু হয়। হজৰত মহম্মদ (ছাঃ)ৰ মৃত্যুৰ পিছত হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ) খলিফা হয়, বেছিৰ ভাগ চাহাবাসকলে পৰামৰ্শ কৰি হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ক কয় যে শ্বাম দেশৰ ফালে যুদ্ধৰ যি তাৰিখ নিৰ্দ্ধাৰিত কৰা হৈছিল সেই তাৰিখ পৰিৱৰ্ত্তন কৰি দিয়ক কাৰণ চাৰিওফালৰ পৰা আৰবত ভয়ানক ধৰণৰ বিদ্ৰোহৰ সংবাদ আহি আছে মক্কা, মদিনা আৰু এটা গাওঁ আছিল য'ত জমাতৰ সৈতে নমাজ হৈ আছিল । মানুহ নমাজ পঢ়া এৰি দিছে আৰু এয়া ক'ব ধৰিছে যে আমি জাকাত নিদিওঁ; চাহাবাসকলে হজৰত উমৰ (ৰাঃ)ক হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ৰ ওচৰত প্ৰেৰণ কৰিলে এইটো কোৱাৰ বাবে যে সৈন্যদলক যেন যুদ্ধৰ পৰা বিৰত ৰাখে; কাৰণ যদি কেৱল বৃদ্ধ আৰু শিশুবিলাক মদিনাত থাকি যায় তেতিয়া বিদ্ৰোহ সৃষ্টি কৰা সকলৰ সৈতে কেনেকৈ যুদ্ধ কৰিব। হজৰত আবু ৱক্কৰ ছিদ্দিক (ৰাঃ)য়ে সিঁহতক এই উত্তৰ দিয়ে যে আবু কাহাফৰ ল'ৰাৰ এনে শক্তি আছেনে ? হজৰত মহম্মদ (ছাঃ)ৰ পঠোৱা লস্কৰ (সৈন্য বাহিনীক) বাধা দিব, আল্লাহৰ শপত ! যদি বিদ্ৰোহীসকলে মদিনাত সোমাই যায় আৰু আমাৰ মহিলাসকলৰ মৃত দেহ যদি কুকুৰে টানি লৈ যায় তথাপি যুদ্ধৰ কাৰণে যাব। ইয়াৰ পৰা জানিব পৰা যায় যে হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ) হজৰত মহম্মদ (ছাঃ)ৰ প্ৰতি কিমান প্ৰেম ভালপোৱা আছিল কাৰণ আপুনি ছিদ্দিকিয়তৰ শ্ৰেণীত আছিল; অৰ্থাৎ তেখেতসকলে আল্লাই অৱতীৰ্ণ কৰা শিক্ষা অৱলম্বন কৰিছে, প্ৰতিষ্ঠিতও কৰিছে, যাৰ ফলস্বৰূপে শত্ৰুসকলেও স্বীকাৰ কৰিবলৈ

বাধ্য যে শিক্ষাত কোনো পৰিৱৰ্ত্তন অহা নাই, হিন্দু, খ্ৰীষ্টান ইহুদীসকলেও স্বীকাৰ কৰে যে কোৰাণ মজিদৰ এটা জেৰ জবৰও পৰিৱৰ্ত্তন ঘটা নাই। হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে বৰ্ণনা কৰি কৈছে যে হজৰত মছীহ মাওউদ (আঃ)ৰ যুগত এটা জমাত এনেকুৱা আছিল, কিন্তু প্ৰশ্ন এয়া উত্থাপন হয় যে ভৱিষ্যত বংশধৰসকলৰ মাজত এনেকুৱা উৎসা আছেনে ? কোনো জ্ঞানী ব্যক্তি এইটো পছন্দ কৰিবনে যে, যদি তেওঁ ভাল বস্তু পায় আৰু তেওঁ নিজৰ বংশধৰক সেইটোৰ পৰা আঁতৰত ৰাখিব; গতিকে তুমি কেনেকৈ ভাৱিব পাৰা যে যিজনে হজৰত মছীহ মাওউদ (আঃ)ৰ শিক্ষাক মূল্যবান বুলি জানে তেওঁ পছন্দ কৰিবনে যে তেওঁ ইয়াৰ ভাগীদাৰী নহ'ব। হুজুৰ কৈছে যে আল্লাহ তায়লা ধৰ্মক নিয়ামত স্বৰূপ কৰি দিছে, যিসকলে ধৰ্মক পৃথিৱীৰ ওপৰত প্ৰাধান্য দিয়ে তাতে এনেকুৱা মানুহ থাকিব পাৰেনে যিসকলে নিজৰ ল'ৰা-ছোৱালীক ধৰ্মৰ পৰা আঁতৰত ৰাখিব ? যেতিয়া তেওঁ অত্যাচাৰ কৰে তেতিয়া তেওঁৰ সহায় কৰা হয়, তেওঁ এনেকুৱা পথভ্ৰষ্টতাত আৱদ্ধ হয় যাৰ পৰা কোনো ধৰণৰ নম্ৰতা ভদ্ৰতা আৰু মানৱতা দেখিবলৈ পোৱা নাযায়; এনেকুৱা অপৰাধীৰ মা-দেউতা, ভাই,আৰু বন্ধু-বান্ধৱে তেওঁক সহায় কৰে, এইটো চিন্তা-ভাৱনা নকৰে যে এনেকুৱা কৰিলে ঈমান ক'ত বাকী থাকিব। এনেকুৱা মানুহৰ ধৰ্ম আকাশত উঠি যায়, হুজুৰ কয় যে হজৰত মহম্মদ (ছাঃ)ক চোৱা, এসময়ত কিছুসংখ্যক চাহাবা সকলে আপোনাৰ ওচৰত কোনো অপৰাধী শাস্তিৰ পৰা ৰেহাই পোৱাৰ কাৰণে অনুৰোধ কৰিছিল, তেতিয়া হজৰত মহম্মদ (ছাঃ) য়ে কৈছিল আল্লাহৰ শপত ! যদি মোৰ জীয়েক ফাতিমা চুৰি কৰে, তাইয়ো শাস্তিৰ পৰা ৰক্ষা নাপাব, গতিকে আল্লাৰ প্ৰতি ভয় কৰা। পৱিএতা এনেকুৱা নিয়ামত (অনুগ্ৰহ) যে সেয়া অৰ্জন কৰাৰ বাবে মানুহ কোনো ধৰণৰ কোৰবাণীৰ পৰা বঞ্চিত থাকিব নালাগে। হজৰত মছীহ মাওউদ (আঃ)ৰ পৰা আমি যি সম্পত্তি প্ৰাপ্ত কৰিছোঁ সেয়া হ'ল উত্তম আদৰ্শ। গতিকে নিজৰ ল'ৰা-ছোৱালীসকলক এইটোৰ অংশীদাৰ বনোৱা আমাৰ বাবে অতি আৱশ্যকৰণীয়।

যদি অৱহেলাৰ কাৰণে ইয়াত কোনো ধৰণৰ দুৰ্বলতা আহি যায় তেন্তে মোমিন সকলৰ কৰ্তব্য হয় তেওঁ যেন পাপৰ ফালে নাযায় সেই সময়ত তেওঁ অপৰাধ কৰাজনৰ পৰা পৃথক হোৱা উচিত।

## হজৰত মছীহ মাওউদ (আঃ)ৰ চাহাবাসকলৰ সত্যতা আৰু ন্যায়-পৰায়ণতাৰ ঘটনাসমূহ

হজৰত মছীহ মাওউদ (আঃ)ৰ এজন চাহাবা আছিল তেওঁৰ উদাহৰণ দি কৈছে যে ছৈয়দ হামিদ শ্বাহ চাহাব মৰহুম এজন সত্যবাদী আহমদী আছিল, হজৰত মছীহ মাওউদ (আঃ)ৰ বাৰজন শিষ্যৰ মাজত তেওঁয়ো এজন আছিল বুলি কৈছে। হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে, মোৰ সন্মুখত যেতিয়া হজৰত মছীহ মাওউদ (আঃ)য়ে নিজৰ শিষ্যসকলৰ নাম গণিলে তেতিয়া তেওঁৰ (ছৈয়দ হামিদ শ্বাহ চাহাবৰ) নাময়ো অন্তৰ্ভুক্ত আছিল। এদিন ছৈয়দ হামিদ শ্বাহ চাহাবৰ ল'ৰা এজন ব্যক্তিক হত্যা কৰে কিন্তু এই হত্যা এনেকুৱা সময়ত হৈছিল যে মানুহৰ দয়া তেওঁৰ ওপৰত আছিল,পৰিস্থিতি এনেকুৱা আছিল যে এই হত্যা হোৱাৰ পিছতো মানুহে তেওঁৰ ল'ৰাৰ পক্ষে আছিল কাৰণ হত্যা হোৱাজন আছিল অত্যাচাৰী, যাৰ কাৰণে সদায় বিশৃংখলা সৃষ্টি হৈছিল, হামিদ শ্বাহ চাহাবৰ ল'ৰাজনে তেওঁক ঘোচা (ভুকু) মাৰে যাৰ ফলত তেওঁৰ মৃত্যু ঘটে। এইটো ঘটনা এনেকুৱা আছিল যেনেকুৱা হজৰত মুছা (আঃ)ৰ লগত হৈছিল। ছিয়ালকোটৰ ডেপুটী কমিচনাৰ জন ইংৰাজ আছিল তেওঁ এনেকুৱা অফিচাৰ আছিল দোষী প্ৰমাণ হওঁক বা নহওঁক শাস্তি নিশ্চয় দিব খুজিছিল যাৰ ফলত ভয় সৃষ্টি হৈছিল। হামিদ শ্বাহ চাহাব আছিল তেওঁৰ অফিচৰ চুপাৰেনটেনডেণ্ট। ডেপুটি কমিচনাৰ চাহাবে কয় যদি মই তেওঁৰ ল'ৰাক শাস্তি দিওঁ তেতিয়া এই ন্যায় বিচাৰৰ কাৰণে মোৰ ওপৰত অত্যাচাৰ হ'ব পাৰে, সেই কাৰণে ছৈয়দ হামিদ শ্বাহ চাহাবক মাতি সুধিলে আপোনাৰ ল'ৰা জনে সঁচাকৈয়ে হত্যা কৰিছেনে ? হামিদ শ্বাহ চাহাবে কয় যে মই তাতে

নাছিলোঁ কিন্তু শুনা পাইছোঁ তেওঁ হত্যা কৰিছে অফিচাৰ জনে কয়, তেওঁক মাতি দিয়ক আৰু তেওঁক কৈ দিয়ক যে তেওঁ যেন হত্যা কৰিছে বুলি স্বীকাৰ কৰে, মানুহবিলাকে যাতে জানিব পাৰে যে মই কাৰোবাৰ পক্ষত নহয়, ছৈয়দ হামিদ শ্বাহ চাহাবে নিজৰ ল'ৰাক মাতি কয় তুমি তেওঁক হত্যা কৰিছানে ? ল'ৰাজনে কয়, হয়; মই হত্যা কৰিছোঁ। ছৈয়দ হামিদ শ্বাহ চাহাবে কয়, সত্য কথা স্বীকাৰ কৰা, তেতিয়া মানুহে ক'ব ধৰিলে কিয় নিজৰ যুৱক ল'ৰাক ফাঁচিত দিব বিচাৰিছে, ছৈয়দ হামিদ চাহাবে কয়, ইহকালৰ শাস্তিতকৈ পৰকালৰ শাস্তি বেছি কঠোৰ। নিজৰ ল'ৰাক কলে যে, তুমি স্বীকাৰ কৰা, ল'ৰাজনে স্বীকাৰ কৰিলে, কিন্তু তেওঁ আছিল ক্ৰিকেট খেলুৱৈ অৰ্থাৎ যাৰ ওচৰত মোকৰ্দমা আছিল তেওঁয়ো আছিল ক্ৰিকেট খেলুৱৈ; ক্ৰিকেট ক্লাবত তেওঁৰ বিষয়ে জানিব পাৰিলে যে তেওঁ ক্ৰিকেট খেলুৱৈ হয়। নিয়ম এনেকুৱা আছিল যে যদি মেজিষ্ট্ৰেটৰ কোনো কথাত বিশ্বাস হৈ যায় তেতিয়া অপৰাধ কৰাজনক কিবা কিছু সোধ-পোছ নকৰি পুলিছৰ সাক্ষীমতে এনেকৈ জেৰা কৰে যাৰ ফলত নিৰ্দোষ প্ৰমাণ হৈ যায়। মেজিষ্ট্ৰেট চাহাব হামিদ শ্বাহ চাহাবৰ ল'ৰাৰ মোকৰ্দমাক পুলিচৰ সাক্ষীমতে এনেকুৱা ভাৱে জেৰা কৰে যে তেওঁ নিৰ্দোষ প্ৰমাণিত হৈ যায়। মেজিষ্ট্ৰেট তেওঁক একো সোধ-পোছ নকৰি মুক্ত কৰি দিয়ে অৰ্থাৎ সত্যতাৰ কাৰণে তেওঁ শাস্তিৰ পৰা ৰক্ষা পালে।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কয় যে এই ধৰণৰ এটা গোচৰ পূৰ্বৰ দিনত চৌধৰী জাফৰুল্লাহ খান চাহাবৰ ভায়েকৰ ওপৰত হৈছিল চৌধৰী চাহাব সেই সময়ত লণ্ডনত আছিল; তেওঁ নিজৰ ভাইটিক লিখিলে যে ঈমানৰ পৰীক্ষাৰ সময় হয়; যদি তোমাৰ ভুল হৈছে মই তোমাৰ ডাঙৰ ভাই হিচাপে অনুৰোধ কৰি আছো যে ইহকালৰ শাস্তিতকৈ পৰকালৰ শাস্তি বেছি কঠোৰ;এই কাৰণে তুমি ধৈৰ্য ধাৰণ কৰা আৰু সঁচা কথা কৈ দিয়া।

হুজুৰ কয় যে ছিয়ালকোটৰ এজন বন্ধু যিজন এতিয়াও জীৱিত আছে আহমদী হোৱাৰ পিছত যেতিয়া তেওঁ জানিব পাৰিলে যে ঘোচ খোৱা ইছলামী

শিক্ষা অনুসাৰে নিষিদ্ধ। তেতিয়া তেওঁ সেইসকল মানুহৰ ঘৰত গৈ যিসকলৰ পৰা ঘোচ লৈছিল সিহঁতক ঘূৰাই দিয়ে তাৰ পিছত তেওঁ বহুত ঋণত আৱদ্ধ হয় তথাপি তেওঁ কোনো ধৰণৰ ভ্ৰূক্ষেপ কৰা নাছিল হজৰত মুচলেহ মাওউদ (ৰাঃ) য়ে কৈছে যে আমাৰ জমাতত কিছু সংখ্যক মানুহৰ কৰ্মক্ষেত্ৰত এনেকুৱা ধৰণৰ আদৰ্শ পোৱা যায় যাক ক'ব পৰা যায় যে চাহাবাসকলৰ আদৰ্শ। কিন্তু আমি সেই আদৰ্শবান ব্যক্তিক দেখি আনন্দ প্ৰকাশ কৰিব নালাগে চেষ্টাহে কৰিব লাগে যাতে গোটেই জমাত আদৰ্শবান হ'ব পাৰে।

যেতিয়া হুজুৰ কোনো ধৰণৰ উপদেশ দিয়ে তেতিয়া মনোযোগেৰে শুনাৰ পিছত নিজৰ কৰ্মক্ষেত্ৰত বাস্তবায়ন কৰি জীৱনৰ অংশ কৰি ল'ব লাগে আৰু এইটোৱে হয় জমাতৰ উন্নতিৰ পথ আৰু এই বস্তুৱে মানুহক সঠিক প্ৰাৰ্থনাকাৰী বনাই দিয়ে। হুজুৰ কয় যে এনে ধৰণৰ কৰ্মৰ প্ৰয়োজন আছে যাতে জমাত অনুভৱ কৰে যে আল্লাহ তায়লা হজৰত মছীহ মাওউদ (আঃ)ক প্ৰেৰণ কৰি জমাতৰ ওপৰত বহুত ডাঙৰ দায়িত্ব অৰ্পন কৰিছে। মানুহৰ দুৰ্বলতা যদি পাহাৰৰ নিচিনাও হয় যদি তেওঁ এৰিব খোজে নিশ্চিত ভাৱে এৰিব পাৰে।

হুজুৰ কয় যে এতিয়া মই এইটো ক'ব বিচাৰো যে বন্ধুসকলে নিজৰ নিজৰ ছোৱালী আৰু জমাতৰ যুৱকসকলক যেন সংশোধন কৰোৱায়, মিছা, চুৰি, প্ৰতাৰণা, গিবত (এজনৰ বদনাম আনজনৰ ওচৰত কৰা), বেয়া অভ্যাস এৰি দিয়ক যাতে মানুহে কয় যে ভাল মানুহ। ভালদৰে স্মৰণ ৰখা, এই নিয়ামত (অনুগ্ৰহ) দ্বিতীয়বাৰ প্ৰকাশ পোৱাত তেৰ শ বছৰ সময় লাগিছে যিটো নিয়ামত হজৰত মছীহ মাওউদ (আঃ)ৰ মাধ্যমে প্ৰাপ্ত হৈছে; যদি আমি এই নিয়ামত মূল্যবান জনা নাই তেন্তে আমি তেৰ শ বছৰত গৈ পাইছোঁ আৰু এই সময়ত অহা গোটেই বংশধৰৰ অভিশাপ আমাৰ ওপৰত পৰিব; সেই কাৰণে চেষ্টা কৰা উচিত যে নিজৰ সকলো পুণ্যৰ (নেকীৰ) ফল নিজৰ ল'ৰা-ছোৱালীয়ে যেন পায় আৰু সিহঁতে পুণ্যৰ ক্ষেত্ৰত অগ্ৰগতি লাভ কৰিব পাৰে আৰু নিজৰ ল'ৰা-ছোৱালীয়ে যেন এই পুণ্য কামৰ অংশীদাৰ হৈ এই মূল্যবান

আমানত যেন দীৰ্ঘ কাললৈ সংৰক্ষিত ৰাখিব পাৰে; যাতে আমি দীৰ্ঘ দিনলৈ ছোৱাবৰ অংশীদাৰী হৈ থাকিব পাৰো, কাৰণ ৰছুলে কৰিম (ছাঃ) য়ে কৈছে যে যি পুণ্য কাম কোনো ব্যক্তিৰ দ্বাৰা প্ৰাপ্ত হয় তেওঁ যেতিয়ালৈকে জীৱিত থাকিব আৰু যিমান মানুহ ইয়াৰ অংশীদাৰ হ'ব সেইসকলৰ ছোৱাব তেওঁৰ নামত লিখা হ'ব (আলফজল ২৬ আগষ্ট চন ১৯৩৬ খুতবাতে মাহমুদ খন্ড ১৭ পৃঃ ৫৪,৫৫)

# খোতবা জুমা ৬ ডিচেম্বৰ চন ২০১৩

## কৰ্মৰ অৱস্থাৰ সংশোধন অতি প্ৰয়োজনীয়

হুজুৰ কয় যে যেতিয়া আমি এইফালে দৃষ্টি নিক্ষেপ কৰো যে হজৰত মছীহ মাওউদ (আঃ)য়ে আমাৰ কৰ্মৰ সংশোধন কৰাব খোজে তেতিয়া চিন্তা-ভাৱনা হয় আৰু প্ৰশ্ন উত্থাপন হয় যে আমি প্ৰত্যেকে ওচৰ-চুবুৰীয়াৰ প্ৰত্যেক বেয়া কামৰ লগত যুঁজি সেয়া পৰাজয় কৰি আছোনে ? আমি প্ৰত্যেকেই সজ কাম কৰি আছোনে ? আৰু ওচৰ-চুবুৰীয়াই আমাৰ কৰ্ম চাই সিহঁতৰ ভিতৰত আমাৰ কৰ্মৰ প্ৰভাৱ হৈ আছেনে ? পৰিৱেশৰ বেয়া প্ৰভাৱ সিহঁতৰ ভিতৰত সোমাই ধৰ্মীয় শিক্ষা পাহৰি গৈ আছেনে ? আমি সকলোৱে সেইদৰে আমাৰ কৰ্মৰ সংশোধনৰ চেষ্টা কৰি আছোনে যিদৰে হজৰত মছীহ মাওউদ (আঃ)য়ে আমাক শিক্ষা প্ৰদান কৰিছে, যাৰ ফলত আমি অনুভৱ কৰিব পাৰো যে সঁচাকৈয়ে আমি এনেকুৱা আদৰ্শ দেখুৱাব পাৰিছোঁ যে মিছা, প্ৰতাৰণা আমাৰ ওচৰলৈ আহিব নোৱাৰে। আমি পৃথিৱীৰ ফালে চাই পৰকালৰ চিন্তা-ভাৱনা কৰি আছোনে ? আমি সঁচাকৈয়ে ধৰ্মক পৃথিৱীৰ ওপৰত প্ৰাধান্য দিব পাৰিছোনে ? আমি প্ৰত্যেকেই বেয়া কামৰ পৰা আঁতৰত থাকিব পাৰিছোঁনে ? আমি কোনোবাৰ অধিকাৰ ছিন্ন কৰি আছো নে বা অবৈধ কামত লিপ্ত আছোনে ? আমি পাঁচ ওৱাক্ত নমাজ পঢ়ি আছোনে ? আমি সৰ্বদা দোৱা কৰাত মগ্ন আছোনে ? আমি প্ৰত্যেক এনেকুৱা লগৰীয়াক এৰিছো নে যিয়ে আমাৰ ওপৰত বেয়া প্ৰভাৱ পেলাই আছে। আমি মা-দেউতা, ভাই-ভনীসকলৰ লগত ভাল ব্যৱহাৰ কৰি

আছোনে ? আমি আমাৰ ভুলৰ কাৰণে ক্ষমা-প্ৰাৰ্থনা কৰি আছোনে ? আমাৰ হৃদয় আনৰ বাবে প্ৰত্যেক ধৰণৰ লাভবান হ'ব বুলি আশাঙ্খা কৰি আছোনে ? প্ৰত্যেক স্বামী-স্ত্ৰী এজনে আনজনৰ আমানতৰ হক(বিশ্বস্ততাৰ অধিকাৰ) আদায় কৰি আছেনে ? আমাৰ বৈঠকত বেছি সময় আল্লাহ আৰু ৰছুলৰ কথা আলোচনা হৈ আছেনে ? যদি এইবিলাক কৰা নাই তেনেহলে আমি হজৰত মছীহ মাওউদ (আঃ)ৰ শিক্ষাৰ পৰা আঁতৰ হৈ আছো । আমি আমাৰ কৰ্মক্ষেএৰ প্ৰতি চিন্তা-ভাৱনা কৰাৰ দৰকাৰ, ওপৰত উল্লেখ কৰা কথাবিলাকৰ উওৰ যদি yes হয় তেন্তে আমি আমাৰ কৰ্মক্ষেএৰ প্ৰতি লক্ষ্য ৰাখি দীক্ষাৰ অঙ্গীকাৰ পালন কৰি আছো; কিন্তু যদি আমি সত্যিকাৰ অৰ্থে চিন্তা-ভাৱনা কৰো তেতিয়া আমাৰ এইটো উওৰ হয় যে কেতিয়াবা পৰিৱেশৰ প্ৰভাৱ আমাৰ ওপৰত প্ৰভাম্বিত হৈ বেয়া প্ৰভাৱ আমাৰ মাজত সোমাই যোৱা নাইতো; বেছিৰভাগ সময়ত আমি এইবিলাকৰ প্ৰতি লক্ষ্য নাৰাখো যাৰ ফলত ৯৯.৯৯ শতাংশ মানুহে দাবী কৰে যে আমি ব্যৱস্থাপনাক অনুকৰণ কৰি আছো; গতিকে আমাক কোনোবাই ব্যৱস্থাপনাৰ পৰা ওলাব নোৱাৰে, কিন্তু আমাৰ এইটো লক্ষ্য ৰখা উচিত যে যেতিয়া সমাজত কৰ্মৰ দুৰ্বলতা অধিক পৰিমাণে বৃদ্ধি পায় তেতিয়া ঈমান থকা বিলাকৰো কৰ্মত দুৰ্বলতা আহি যায় আৰু লাহে লাহে চয়তানে আক্ৰমণ কৰা আৰম্ভ কৰে যাৰ ফলত জমাতৰ ব্যৱস্থাপনাৰ পৰা ওলাই যায় আৰু খলিফাৰ লগত সম্পৰ্ক ছিন্ন হৈ যায়, আমাৰ মনত ৰখা উচিত যে এটা দুৰ্বলতা আন এটা দুৰ্বলতাৰ লগত মিলি বহু ডাঙৰ ডাঙৰ দুৰ্বলতা সৃষ্টি হৈ যায় যাৰ ফলত সকলো বস্তু বিনষ্ট হৈ যায়। আমি জানো যে আহমদী সকলৰ দৃশ্য জমাতৰ ব্যৱস্থাপনা আৰু খলিফাৰ লগত সম্পৰ্ক গঢ়ি তোলাৰ ওপৰত নিৰ্ভৰশীল। এইটো হ'ল আমাৰ কৰ্মৰ শক্তি, এই কাৰণে খলিফা আমাৰ দুৰ্বলতাক চিহ্নিত কৰোৱাই আমাক আকৃষ্ট কৰে, যাতে আমি আমাৰ দুৰ্বলতাৰ ফালে লক্ষ্য ৰাখি দুৰ্বলতা দূৰ কৰিব পাৰো। আজিকালি কৰ্মৰ যিবিলাক ভয়াবহতা সৃষ্টি হৈ আছে সেয়া হ'ল পৰিৱেশৰ বেয়া কৰ্মৰ ফালে লক্ষ্য নোহোৱাৰ কাৰণ।

কিছুমান বেয়া কৰ্ম দূৰ কৰাৰ কাৰণে চৰকাৰেও নিয়মাৱলী বনাইছে,পূৰ্বৰ যুগত বেয়া কৰ্ম নিজ নিজ সীমালৈকে সীমাবদ্ধ আছিল যেনেকৈ নগৰৰ বেয়া কৰ্ম নগৰ লৈকে, চহৰৰ বেয়া কৰ্ম চহৰ লৈকে সীমাবদ্ধ আছিল। কিন্তু বৰ্তমান যুগত যাতায়ত কৰাৰ সুবিধা, টিভি,ইণ্টাৰনেট আৰু সাংবাদিক সকলে এটা সীমাৰ বেয়া কৰ্ম গোটেই দেশত বিস্তাৰ কৰি দিয়ে, গাভৰু ছোৱালী সকলৰ দুৰ্বলতা প্ৰকাশ কৰি সিহঁতক ধৰ্মৰ পৰা আঁতৰত কৰি আছে; বিশেষকৈ ইণ্টাৰনেটৰ মাধ্যমে বেয়া বেয়া বস্তু চাই বেয়াৰ ফালে দ্ৰুত গতিত আগবাঢ়িব ধৰিছে।

যোৱা কিছুদিন আগতে মোৰ মনত এই কথা জাগৰণ হয় যে পাকিস্তান আৰু বিভিন্ন ৰাষ্ট্ৰৰ পৰা এইটো সংবাদ পোৱা যায় যে ছোৱালীসকলক বিয়াৰ কথা পাতি কিছুদিনৰ কাৰণে বিয়া পাতে তাৰ পিছত ছোৱালীজনীক এৰি দিয়ে, এনেকুৱা দল দেশৰ মাজত সৃষ্টি হৈ ছোৱালীসকলৰ সৈতে এনেকুৱা ধৰণৰ ব্যৱহাৰ হৈ আছে। সঁচাকৈয়ে এনেকুৱা ঘটনা শুনি নিজৰ শৰীৰৰ নোম শিয়ৰ্ হৈ উঠে। এনেকুৱা ডেকা ল'ৰাবিলাকে বহুত ধৰণৰ পদ্ধতি অৱলম্বন কৰি সিঁহতৰ নিজৰ জীৱন মূল্যহীন কৰি আছে। গতিকে মই দোৱা কৰো যে আল্লাই প্ৰত্যেক আহমদীক এই ধৰণৰ কৰ্মৰ  পৰা যেন আঁতৰত ৰাখে,পৃথিৱীত নতুন নতুন আৱিষ্কাৰ হোৱা বস্তুৰ পৰা লাভবান হোৱাত বাধা নাই, কিন্তু এজন আহমদী মনত ৰখা উচিত যে পাৰ্থিৱ জীৱনত উন্নতি লাভ কৰি হিদায়তৰ কাম সম্পূৰ্ণ কৰি হজৰত মছীহ মাওউদ (আঃ)ৰ যেন সাহায্যকাৰী হ'ব পাৰে, এইটো যেন নহয় যে পৃথিৱীৰ ফালে অগ্ৰসৰ হৈ বেয়া ধৰণৰ কৰ্মত লিপ্ত হৈ নিজকে শত্ৰুৰ হাতত তুলি দিয়ে।

হুজুৰ কয় যে যদি আমি প্ৰত্যেকে নিজৰ কৰ্মৰ প্ৰতি লক্ষ্য ৰাখো আৰু ধৰ্মৰ  বিৰোধী সকলৰ আক্ৰমণ বিফল হোৱাৰ কাৰণে থিয় হৈ যাওঁ আৰু শত্ৰুসকলৰ সংশোধনৰ বাবে আমি প্ৰতিশ্ৰুতি লওঁ; তেতিয়া আমি শত্ৰুসকলৰ আক্ৰমণ বিফল কৰিব পাৰিম আৰু সিহঁতক সংশোধন কৰিব পাৰিম যিটো

আমাৰ পিছৃত আহিবলগীয়া বংশধৰৰ বাবে লাভবান হ'ব পাৰিব। আমাৰ সদায় মনত ৰখা উচিত যে আমি কেতিয়াও সত্যক ঢাকিব নালাগে কাৰণ উন্নতি কৰা জাতি,দুনিয়াৰ সংশোধন কৰা জাতি আৰু পৃথিৱীত জয়লাভ কৰা জাতি সদায় নিজৰ কৰ্মৰ দুৰ্বলতাৰ ফালে লক্ষ্য ৰাখিছে। যদি চকু বন্ধ কৰি আমি কওঁ যে গোটেইবিলাক ভাল আছে এনেকুৱা কৰাত আমাৰ কৰ্মৰ সংশোধনত বাধাৰ সৃষ্টি হ'ব। আমি সদায় সত্যৰ প্ৰতি লক্ষ্য ৰখা উচিত আৰু ৰাখিব লাগিব। আমি এই কথাত আনন্দ অনুভৱ কৰো যে আমাৰ 50% সংশোধন হৈ গৈছে, যদি আমি পৃথিৱীত জয়লাভ কৰিব খোজো তেতিয়া এশ শতাংশ সংশোধনৰ টাৰ্গেট ৰাখিব লাগিব। হুজুৰ কয় যদি আমাৰ মাজত আমাৰ দায়িত্বৰ অনুভৱ হয় তেতিয়া আমি ধৰ্মৰ খেদমত (সেৱা) কৰাটো আল্লাহৰ ফজল ভাবি খেদমত কৰিম। এই কথা কোনোবাই ক'ব পাৰেনে যে মই দ্বীনৰ খেদমত আল্লাহৰ ফজল ভাবি কৰি আছোঁ, কিন্তু এশ শতাংশ পদবীদাৰীসকলে এইটো পৰিপূৰ্ণ কৰিব পৰা নাই। মোৰ ওচৰত এনেকুৱা সমস্যাৰ সংবাদ আহে যাৰ পৰা জানিব পৰা যায় দায়িত্বান সকলৰ ভিতৰত উৎসা আৰু ধৈৰ্য ধৰাৰ ক্ষমতা নাই, কোনোবাই যদি কিবা কয় তেতিয়া নিজৰ সন্মানৰ কথা নাভাবি চিঞৰ-বাখৰ কৰিব ধৰে, কিন্তু যিজনে কোনো কাম আল্লাহৰ ফজল বুলি জানি কৰে তেওঁ আল্লাহৰ সন্তুষ্টিহে বিচাৰে,নিজৰ সন্মানৰ ঠাইত কয় **আলইজ্জাতু লিল্লাহে** অৰ্থাৎ সন্মান কেৱল আল্লাহৰ কাৰণে হয়।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে মই হজৰত মহম্মদ (ছাঃ)ৰ শিক্ষা প্ৰতিৰ্ষ্ঠিত কৰাৰ বাবে আহিছো (মলফুজাত প্ৰথম খন্ড পৃ ৪৯০ এডিশ্বন চন ২০০৩ ৰাবৱা) হজৰত মহম্মদ (ছাঃ)ৰ আদৰ্শ এনেকুৱা আছিল যে আপোনাৰ গোলাম (কৃতদাস) যিসকল আছিল সিহঁতে কৈছে, হজৰত মহম্মদ (ছাঃ) আমাৰ লগত কেতিয়াও মনত আঘাত দিয়া কথা বা টান কথা কোৱা নাই অৰ্থাৎ এজন ব্যক্তি হজৰত মহম্মদ (ছাঃ)ক দেখি ভয়তে কঁপিব ধৰে তেতিয়া হজৰত মহম্মদ (ছাঃ)য়ে কয়, ভয় নকৰিবা মই কোনো বল প্ৰয়োগ কৰা

বাদশ্বাহ নহয়; মই এজন মহিলাৰ ল'ৰা হয়,যিজনে শুকান মাংস খোৱা কৰিছিল (ছুনন ইবনে মাজা কিতাবুল আতআমা হাদিছ নম্বৰ ৩৩১২)।

এইবিলাক কৰ্ম প্ৰত্যেক দায়িত্ববান সকলৰ জীৱনত বাস্তবায়ন কৰাৰ প্ৰয়োজন আছে ,যদি কোনোবাই কোনো দায়িত্ব পায় বা কোনো খেদমত কৰাৰ সুযোগ পায় তেতিয়া সদায় হজৰত মহম্মদ (ছাঃ)ৰ আৰু হজৰত মছীহ মাওউদ (আঃ)ৰ আদৰ্শবিলাক সন্মুখত ৰাখিব লাগে যেনেকুৱা হজৰত মছীহ মাওউদ(আঃ)য়ে কৈছে **মে থা গৰিব বেকছ ও গুমনাম ওবেহুনৰ**......... (বৰাহিনে আহমদীয়া খন্ড ৫ ৰুহানী খাজাইন খন্ড ২১ পৃ: ২০)।

যেতিয়া আমি নিজৰ কৰ্মক্ষেত্ৰত দৰিদ্ৰতা আৰু কোনো অভিজ্ঞতা নাই বুলি প্ৰকাশ কৰিম তেতিয়া আমি খেদমত কৰাৰ সৌভাগ্য লাভ কৰিব পাৰিম .... আৰু যদি এইটো নাথাকে তেতিয়া আমি দাবী কৰা লৈকে ঠিক আছে যে আমি যুগৰ ইমামক মানিছো; কিন্তু আমি মুখেদি দাবী কৰি ধেমালি কৰি আছো, কোনোবাৰ শত্ৰুতা আমাক ক্ষতিগ্ৰস্ত কৰিব নোৱাৰে সিহঁতৰ নিজৰ আত্মাৰহে ক্ষতিগ্ৰস্ত হৈ থাকিব আৰু আল্লাহৰ ক্ৰোধ সিহঁতৰ ওপৰত পৰিব। প্ৰত্যেক সেই ব্যক্তি যাক জমাতৰ খেদমতৰ কাৰণে নিযুক্ত কৰা হৈছে, তেওঁ নিজৰ ফালে লক্ষ্য ৰখা উচিত কাৰণ বয়াত কৰাৰ অধিকাৰ মুখৰ দাবীৰ দ্বাৰা পৰিপূৰ্ণ হ'ব নোৱাৰে, যেতিয়ালৈকে নিজৰ কৰ্মৰ সংশোধনত জ্যোতি বা পোহৰ নাহে তেতিয়ালৈকে কোনো লাভবান হ'ব নোৱাৰে।

## সাৰাংশ খোতবা জুমা ১৩ ডিচেম্বৰ চন ২০১৩

হুজুৰ কয় যে কোনো বস্তুৰ সংশোধন তেতিয়া সম্ভৱ যেতিয়া সংশোধন কৰাৰ কাৰণে বহু ধৰণৰ পদ্ধতি অৱলম্বন কৰিব আৰু কৰ্মৰ দুৰ্বলতাৰ কাৰণ জানিব পাৰিব আৰু সেইটো দূৰ কৰাৰ কাৰণে চেষ্টা কৰিব। **কাৰণ** ওলোৱাৰ পিছতো যদি সেই **কাৰণ** প্ৰতিষ্ঠিত থাকে তেতিয়া এইটো হ'ব ক্ষন্তেকীয় সময়ৰ সংশোধন,পিছত আকৌ বেয়া কৰ্মৰ ফালে উভতি যাব, হুজুৰ কয় যে

যেতিয়া মই চিন্তা-ভাৱনা কৰি পঢ়িব ধৰিলোঁ তেতিয়া মই হজৰত মুচলেহ মাওউদ (ৰাঃ)ৰ এটা ঘটনা পাওঁ। হজৰত মুচলেহ মাওউদ (ৰাঃ)ৰ কোনো লিখিত কথাত বা ভাষণত এইটো গুণ আছিল যে তাতে কোনো প্ৰশ্ন জাগি উঠিলে সেইটোৰ সমাধা কোৰাণ,হাদীছ,আৰু হজৰত মছীহ মাওউদ (আঃ)ৰ কালামৰ আলৌকত উদাহৰণৰ সৈতে কৰিছে।

কৰ্মৰ সংশোধনৰ বাবে যিটো বস্তু বাধাৰ সৃষ্টি কৰে তাৰে ভিতৰত সকলোতকৈ ডাঙৰ বস্তু হ'ল মানুহে ভাবে যে **কোনো পাপ ডাঙৰ আৰু কোনো পাপ সৰু**। কিছুমান মানুহ নিজেই আৰু কিছুমান মানুহে আলিম সকলৰ পৰা শুনি কয় যে কিছুমান পাপ ডাঙৰ আৰু কিছুমান পাপ সৰু। এই কথাৰ ভিত্তিত কৰ্মক্ষেত্ৰৰ সংশোধনত বাধাৰ সৃষ্টি আহি পৰে যাৰ ফলত মানুহ পাপৰ ফালে আগবাঢ়িব ধৰে আৰু তেওঁ ভাৱে এইটো সৰু পাপ কোনো একোৱেই নহয়, আৰু তাৰ শাস্তি ইমান বেছি নহয়। (খুতবাতে মাহমুদ খন্ড ১৭ পৃঃ ৩৩৯, খুতবা জুমা ২৯ মে চন ১৯৩৬)

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে যদি কোনোবাৰ অসুখ হয় আৰু তেওঁৰ অসুখ সৰু হওঁক বা ডাঙৰ হওঁক যদি সেই অসুখৰ ঔষধ নাখায় তেতিয়া তেওঁ অসুখৰ পৰা আৰোগ্য লাভ কৰিব নোৱাৰে,এটা ক'লা দাগ যদি মুখমণ্ডলৰ ওপৰত পৰে তেতিয়া তেওঁ বৰ চিন্তিত হৈ পৰে যে কেতিয়াবা এই ক'লা দাগ ডাঙৰ হৈ গোটেই মুখমণ্ডলখন যেন ক'লা পৰি নাযায়, এনেকুৱাই পাপৰ এটা ক'লা দাগ হৃদয়ৰ মাজত পৰি যায়, এনেকৈ এটাৰ পিছত আন এটা পাপত লিপ্ত হৈ ডাঙৰ পাপত আৱদ্ধ হয় যাৰ ফলত গোটেই হৃদয়খনত ক'লা দাগ পৰি যায় যেনেকুৱা মুখত সৰু ক'লা দাগ ডাঙৰ হৈ লাহে লাহে গোটেই মুখখন ক'লা পৰি যায়। (মলফুজাত প্ৰথম খন্ড পৃঃ ৭, এডিশ্বন চন ২০০৩ মতবুৱা ৰাবৱা)

এই কথা সৰ্বদা মনত ৰখা উচিত যে কোনো পাপ মানুহে যেন সৰু নাভাৱে কাৰণ যেতিয়া এই চিন্তা-ভাৱনা হয় যে এইটো সাধাৰণ পাপ তেতিয়া

অসুখৰ যিটো বীজ সেইটো নষ্ট নহয় যাৰ ফলত সৰু পাপৰ পৰা ডাঙৰ পাপৰ সৃষ্টি হয়,গতিকে প্ৰত্যেক জনে নিজৰ ফালে লক্ষ্য ৰখা উচিত,পাপ সৰু হওঁক বা ডাঙৰ হওঁক তাৰ শাস্তি নিশ্চয় আল্লাহ্ তায়লা ৰাখিছে। এইটো দেখিবলৈ পোৱা যায় যে ভুল কামত বহুত টকা নষ্ট কৰা হয় যাক ইছলামে নিষিদ্ধ কৰিছে। আজি কালি জুৱা খেলৰ মেচিন সৃষ্টি হৈ গৈছে, কিছুমান মানুহ সেই মেচিনৰ জুৱা খেলত যায় আৰু জুৱা খেল আৰম্ভ কৰে, কিন্তু সাধাৰণ জীৱন-যাপনত মিছা কথা নকয়, সাধাৰণ মানুহৰ সৈতে অত্যাচাৰ নকৰে,হত্যাও নকৰে, কাৰণ সিহঁতে এই ধৰণৰ বেয়া কৰ্মত লিপ্ত হোৱাক ডাঙৰ পাপ বুলি ভাৱে, কিন্তু জুৱা খেল আৰু ভুল কামত টকা নষ্ট কৰাক বেয়া কাম বুলি নাভাৱে, এনেকুৱা ভাৱে মানুহ ভুল কামত টকা বিনষ্ট কৰাও ডাঙৰ পাপেই হয় কাৰণ বাকী পাপক তেওঁ প্ৰথমেই পাপ বুলি ভাৱিছে।

আমি দেখিবলৈ পাওঁ যে কিছুমান মহিলাসকলে নিজৰ কাপোৰ-কানিৰ প্ৰতি লক্ষ্য নাৰাখে; বাহিৰলৈ ওলোৱাৰ সময়ত পৰ্দাৰ প্ৰতি লক্ষ্য নাৰাখে, আহমদী মুছলমান হোৱা সত্ত্বেও মূৰত কাপোৰ নাৰাখে বা শৰীৰত চাদৰ নোহোৱাকৈ ঘূৰি ফুৰে, কাপোৰ ইমান টাইটফিট পিন্ধে যে শৰীৰৰ অংগ প্ৰকাশ হৈ যায়, কিন্তু যেতিয়া কোনো চান্দা বা সজ কামৰ বিষয়ে কোৱা হয় তেতিয়া আনন্দ হৃদয়ে চান্দা দিয়ে বা নেক (পুণ্য) কৰ্ম কৰে আৰু মিছা কথা সহ্য কৰিব নোৱাৰে; হুজুৰ কয় যে চান্দা বেছি বেছি দিয়া বা মিছা কথা সহ্য নকৰাটোৱে কেৱল পুণ্য কৰ্ম নহয়; বৰং কোৰাণ মজিদৰ আদেশ পালন কৰাটো, যেনেকুৱা নিজৰ কাপোৰ আৱৰণ হিচাপে ব্যৱহাৰ কৰা, পৰ্দাৰ প্ৰতি লক্ষ্য ৰখাটোও হ'ল ডাঙৰ নেকী।

## কৰ্মৰ সংশোধনত বাধা সৃষ্টি হোৱাৰ প্ৰথম কাৰণ

যদি আমি আমাৰ কৰ্মৰ সংশোধন কৰিব বিচাৰো পোনপ্ৰথমে আমাৰ হৃদয়ৰ পৰা এই ধাৰণা ওলাই দিব লাগিব উদাহৰণ স্বৰূপ, হত্যা কৰা এটা ডাঙৰ পাপ, চুৰি কৰা ডাঙৰ পাপ, এজনৰ বদনাম আনজনৰ ওচৰত কৰাটো

ডাঙৰ পাপ আৰু এইবিলাকৰ বাহিৰে যিমান পাপ আছে সকলোবোৰ সৰু পাপ। এই ধাৰণা হৃদয়ৰ পৰা আঁতৰ কৰিব লাগিব যে ৰোজা ৰখা ডাঙৰ নেকী, জাকাত দিয়া ডাঙৰ নেকী, হজ্ব কৰা ডাঙৰ নেকী হয় আৰু এইবিলাকৰ বাহিৰে যিমান নেকী আছে সকলোবোৰ সৰু নেকী হয়। আমি হজৰত মছীহ মাওউদ (আঃ)ৰ এই কথা সন্মুখত ৰাখিব লাগিব যে কোৰাণ মজিদৰ সাতশ (৭০০) আদেশৰ ওপৰত কৰ্ম নকৰা জনৰ বাবে মুক্তিৰ দুৱাৰ বন্ধ। আমি অইনৰ নিচিনা এইটো ভাৱিব নেলাগে কিছুমান নেকী ডাঙৰ আৰু কিছুমান নেকী সৰু। কিছুমান মুছলমান সকলে ভাৱে যে ৰোজা ৰখা বহুত ডাঙৰ নেকী হয়,কিন্তু নমাজ জমাতৰ সৈতে আদায় কৰাত কোনো ধৰণৰ গুৰুত্ব নিদিয়ে, কিন্তু ৰোজা ৰখাটো ডাঙৰ পুণ্য কাম বুলি ভাৱে, যাৰ কাৰণে ৰোজা বাধ্যতামুলক কৰি লয়, কিন্তু জাকাত ফৰজ এইটোৰ পৰা মুক্তি পোৱাৰ চেষ্টা কৰে, কিন্তু ৰোজা নিশ্চয় ৰাখিব কাৰণ যদি ৰোজা নাৰাখে তেতিয়া তেওঁৰ কাৰণে বহুত ডাঙৰ পাপ হ'ব। যদি কৰ্মৰ সংশোধন কৰিব খোজে তেতিয়া এই কথা সৰ্বদা মনত ৰখা উচিত যে প্ৰত্যেক নেকী (পুণ্য কৰ্ম) গ্ৰহণ কৰিব লাগিব আৰু প্ৰত্যেক বেয়া কৰ্মৰ পৰা আঁতৰত থাকিব লাগিব।

## কৰ্মৰ সংশোধনত বাধা সৃষ্টি হোৱাৰ দ্বিতীয় কাৰণ

কৰ্মৰ সংশোধনত বাধা সৃষ্টি হোৱাৰ দ্বিতীয় কাৰণ হ'ল **পৰিৱেশৰ বেয়া প্ৰভাৱ বা নকল কৰাৰ অভ্যাস**। আল্লাহ তায়লা মানুহৰ প্ৰবৃত্তিত নকল কৰাৰ অভ্যাস সৃষ্টি কৰি ৰাখিছে যিটো বাল্যকালৰ পৰা প্ৰকাশ পায় কাৰণ এইটো প্ৰবৃত্তিগত। এই অভ্যাস নিশ্চত বাবে আমাৰ উপকাৰৰ বাবে হয়। নকল আৰু পৰিৱেশৰ বেয়া প্ৰভাৱ মানুহক ধ্বংসৰ ফালে লৈ যায়। ল'ৰা-ছোৱালীয়ে মা-দেউতাৰ পৰা ভাষা শিকে বা বেলেগ কাম শিকে আৰু ভাল কথাও শিকে যাৰ ফলত উন্নত ধৰণৰ চৰিএবান হয়, মা-দেউতা নেক হয়, নমাজ পঢ়ে,কোৰাণ পঢ়ে আৰু নিজৰ মাজত প্ৰেমৰ সৈতে থাকে,মিছা কথা ঘৃণা কৰে,তেতিয়া মা-দেউতাৰ পুণ্য কৰ্মৰ প্ৰভাৱ ল'ৰা-ছোৱালীৰ ওপৰত হ'ব ধৰে যাৰ ফলত

ল'ৰা-ছোৱালীয়ে পুণ্য কৰ্ম গ্ৰহণ কৰিব ধৰে। মিছা কথা, কাজিয়া-বিবাদ, ঘৰত এজনে আনজনৰ লগত সদায় হাঁহি ধেমালিৰ সৈতে কথা পাতি থাকে আৰু জামাতি ব্যৱস্থাপনাৰ ফালে লক্ষ্য নাৰাখে,এই ধৰণৰ বেয়া কৰ্ম যেতিয়া ল'ৰা-ছোৱালীয়ে দেখিবলৈ পায়, ̄তেতিয়া ল'ৰা-ছোৱালীয়ে মা-দেউতাৰ নকল কৰা আৰম্ভ কৰে আৰু বেয়া কৰ্মৰ প্ৰভাৱ ল'ৰা-ছোৱালীৰ ওপৰত পৰিব ধৰে যাৰ ফলত ল'ৰা-ছোৱালী বেয়াৰ ফালে অগ্ৰসৰ হ'ব ধৰে। সেই কাৰণে মা-দেউতা ল'ৰা-ছোৱালীক যেন পৰিৱেশৰ বেয়া কৰ্মৰ পৰা আঁতৰত ৰাখে, টিভি, ইণ্টাৰনেট সঠিক পদ্ধতিত যেন ব্যৱহাৰ কৰে তাৰ বাবে মা-দেউতাৰ সঠিক নিৰীক্ষণৰ প্ৰয়োজন আছে। এই কথাও মনত ৰখা উচিত যে ল'ৰা-ছোৱালীৰ নিৰীক্ষণৰ বয়স বাল্যকালৰ পৰা আৰম্ভ হৈ যায়, এইটো ধাৰণা যাতে নাহে যে ল'ৰা-ছোৱালী ডাঙৰ হৈ তৰবিয়ত (প্ৰশিক্ষণ) পাব। দুই তিনি বছৰৰ পৰা ল'ৰা-ছোৱালীৰ তৰবিয়তৰ বয়স আৰম্ভ হৈ যায় যেনেকুৱা মই কৈছো যে ল'ৰা-ছোৱালীয়ে ঘৰত মা-দেউতা আৰু ডাঙৰীয়া সকলৰ পৰা শিক্ষা প্ৰাপ্ত কৰে, সিহঁতক দেখি সেইবিলাক নকল কৰা আৰম্ভ কৰে মাকৰ এইটো ধাৰণা যাতে নাহে যে ল'ৰা-ছোৱালী সৰু তেওঁ কি জানে? তেওঁ সকলো কথা জানে আৰু মাকে যেনেকুৱা ব্যৱহাৰ কৰে সেই সকলোবিলাক ল'ৰা-ছোৱালীৰ মস্তিষ্কত বহি যায় আৰু এসময়ত তেওঁ সেই বিলাকৰ নকল কৰা আৰম্ভ কৰে, ছোৱালী সকলে মাকে যেনেকুৱা কাপোৰ পিন্ধে খেলা-ধুলাৰ সময়ত ঠিক তেনেকুৱা কাপোৰ পিন্ধাৰ চেষ্টা কৰে যিবিলাক ভাল বেয়া মা-দেউতাৰ মাজত থাকে সেইবিলাকৰ নকল কৰা আৰম্ভ কৰে। যিবিলাক ল'ৰা-ছোৱালী নিজৰ মা দেউতাক সত্যতাৰ  উন্নত ধৰণৰ চৰিত্ৰ দেখা নাই, মা-দেউতাৰ প্ৰতিশ্ৰুতি পূৰ্ণ হোৱা দেখিব পৰা নাই, নিশ্চয় তেওঁ ডাঙৰ হৈ মা-দেউতাৰ নিচিনা কৰিব খুজিব; কাৰণ বাল্যকালৰ পৰা তেওঁৰ মস্তিষ্কত মা-দেউতাৰ আচাৰ-আচৰণ বহি গৈছে। ল'ৰা-ছোৱালীয়ে যদি মাকক দেখা পাই যে নমাজত এলেহুৱা, দেউতাই ঘৰত আহি সোধে, নমাজ পৰিছানে ? তেতিয়া

কয় যে এতিয়া পৰা নাই পিছত পঢ়ি ল'ম, তেতিয়া ল'ৰা-ছোৱালীয়ে কয় এইটো বৰ ধুনীয়া উওৰ হয়, মোক যদি কোনোবাই সোধে যে তুমি নমাজ পৰিছানে ? মইয়ো এইটো উত্তৰ দিম এতিয়া পৰা নাই পিছত পৰি ল'ম বা ল'ৰা-ছোৱালীয়ে উত্তৰ পাই যে পাহৰি গৈছো বা পৰিছোঁ। গোটেই দিন ল'ৰা-ছোৱালী মাকৰ লগত থাকে আৰু তেওঁ জানিব পাৰে যে মাকে নমাজ পঢ়া নাই, ল'ৰা-ছোৱালীৰ এই উত্তৰ বিলাক সিহঁতৰ নিজৰ মস্তিষ্কত বহি যায়। এই ধৰণৰ দেউতাৰ যিবিলাক ভুল কথা, ব্যৱহাৰ, সকলোবিলাক ল'ৰা-ছোৱালীৰ মস্তিষ্কত বহি যায়; যাৰ ফলত সিহঁতে সঠিক তৰবিয়ত (প্ৰশিক্ষণ) নাপায় আৰু বেয়া বাটলৈ গুচি যায়। নিজৰ ল'ৰা-ছোৱালীক যদি সংশোধন কৰিব খোজে তেন্তে মা-দেউতা নিজৰ কৰ্মৰ সংশোধনৰ ফালে লক্ষ্য ৰাখিব লাগিব আৰু বন্ধুত্ব এনেকুৱা মানুহৰ সৈতে বনাব লাগিব যিসকলৰ কৰ্ম পদ্ধতি সঠিক।

# সাৰাংশ খোতবা জুমা ২০ ডিচেম্বৰ চন ২০১৩

## কৰ্মৰ সংশোধনত বাধা সৃষ্টি হোৱাৰ তৃতীয় কাৰণ

তৃতীয় কৰ্মৰ সংশোধনত বাধা সৃষ্টি হোৱাৰ কাৰণ হ'ল ওচৰ-চুবুৰীয়াৰ সমস্যাবিলাকৰ প্ৰতি তৎক্ষণাত লক্ষ্য নৰখা। আকিদাৰ (বিশ্বাসৰ) সমস্যা হ'ল দূৰৰ সমস্যা যাৰ সম্পৰ্ক বহুত দূৰৰ জীৱনৰ সৈতে সংলগ্ন। যেনেকুৱা মই কৈছো যে কৰ্মৰ সংশোধন তৎক্ষণাত কৰিব লাগে যাতে মানুহ বুজিব পাৰে যে এইটো এনেকুৱা কাম যিটো আকিদাৰ লগত কোনো সম্পৰ্ক নাই, যদি মই কোনো ভুল কাম কৰি আছো ভবা হয় যে আল্লাহ তায়লাৰ একত্ববাদৰ ওপৰত কোনো ধৰণৰ প্ৰভাৱ হোৱা নাই, উদাহৰণ স্বৰূপ সোণাৰু, তেওঁ ভাবে যে সোণৰ লগত অলপ খাদ মিহলালে আল্লাহ তায়লাৰ একত্ববাদৰ ওপৰত কোনো ধৰণৰ প্ৰভাৱ নাহে আৰু মোৰ উপাৰ্জন বেছি হৈ যাব অতি সোনকালে মই বেছি টকা উপাৰ্জন কৰিব পাৰিম।

# কৰ্মৰ সংশোধনত বাধা সৃষ্টি হোৱাৰ চতুৰ্থ কাৰণ

## কৰ্মৰ সম্পৰ্ক অভ্যাসৰ লগত,অভ্যাসৰ কাৰণে দুৰ্বলতা সৃষ্টি হয়

বিশেষকৈ সেই সময়ত যেতিয়া মজহব বা ধৰ্মৰ লগত শাসনকৰ্তা (হুকুমত) নাথাকে। চৰকাৰী নিয়ম-নীতিৰ কাৰণে কিছুমান কৰ্মৰ সংশোধন হৈ যায়, কিন্তু ধৰ্মত যি কথা চৰিএহীন হয় ইছলাম সেয়া সংশোধনৰ কৰাৰ বাবে চেষ্টা কৰে, কিন্তু ইছলামী ৰাষ্ট্ৰত ইছলামী চৰকাৰ (হুকুমত) থকা সত্ত্বেও মুছলমান সকলৰ কৰ্মৰ অৱস্থা চাই বৰ দুঃখ লাগে। যেতিয়া অভ্যাস শক্তিশালী হৈ যায় তেতিয়া সেই অভ্যাস এৰা বৰ কষ্টকৰ হয়, যেনেকুৱা নিচা কৰাৰ অভ্যাস যদি হৈ যায় তেতিয়া সেয়া ত্যাগ কৰা বহুত কষ্টকৰ হৈ পৰে,এজন মানুহে ইমানখিনি কোৰবাণী হয়তো কৰে যে তিনি খোদাৰ ঠাইত এক খোদাক মানি লয় আৰু এইটো সম্ভৱ হ'ব নোৱাৰে যে এক খোদাক মানি আকৌ বেলেগ দিনা তিনি খোদাক মানিব। কিন্তু নিচা কৰাজনৰ মনত নিশ্চয় এইটো ধাৰণা আহিব নিচা যেন পাই যায়, গোটেই জীৱনৰ বিশ্বাস এজন মানুহে এৰি দিব পাৰে কিন্তু নিচা কৰাৰ অভ্যাস যি কেইমাহৰ বা কেইবছৰৰ অভ্যাস সেইটোত যদি কিছু পৰিমাণে কম হয় তেতিয়া তেওঁক অসন্তুষ্টি কৰি তোলে। চিগাৰেট খোৱাৰ মাজত এনেকুৱা আছে যিজনে নিজৰ বংশধৰক এৰি নিজৰ ভাই-ভনীক এৰি নিজৰ মা-দেউতাক এৰি নিজৰ স্ত্ৰী ল'ৰা-ছোৱালীক এৰি জমাতত অৰ্ন্তভুক্ত হৈছে সিহঁতে কোৰবাণী কৰিছে; আহমদী হৈ গৈছে, সিহঁতক যদি চিগাৰেটৰ নিচা এৰিব কোৱা হয় শ শ বাহানা খুজিব, কোনোবাৰ পেট ফুলি যায়,কোনোবাৰ টোপনি নাহে,কোনোবাৰ চিন্তা-ভাৱনাৰ সঠিক পদ্ধতি নাহে, এই মগ্নতে ডুবি যায় আৰু অসন্তুষ্টি অনুভৱ কৰিব ধৰে। এইটো মাথোন তেওঁৰ কাৰণেই নহয় যিজন আহমদী হৈছে, এইটো প্ৰত্যেক নিচা কৰা ব্যক্তিৰ কাৰণে হয়।বহুত এনেকুৱা আছে যে পুণ্য কৰ্ম কৰি আছে আৰু ডাঙৰ ডাঙৰ কোৰবাণীও কৰি আছে কিন্তু সৰু এটা অভ্যাস এৰিব নোৱাৰে।

# কৰ্মৰ সংশোধনত বাধা সৃষ্টি হোৱাৰ পঞ্চম কাৰণ

**কৰ্মৰ সংশোধনত বাধাৰ পঞ্চম কাৰণ হ'ল স্ত্ৰী আৰু ল'ৰা-ছোৱালীসকল** সিহঁতে সংশোধনৰ বাটত বাধা আহি পৰে। (খুতবাতে মাহমুদ খণ্ড ১৭ পৃঃ ৩৭৫ খুতবা জুমা ১২ জুন, চন ১৯৩৬)

কেতিয়াবা মানুহক নিজৰ স্ত্ৰী ল'ৰা-ছোৱালীৰ কষ্টৰ কাৰণে পৰীক্ষাৰ সন্মুখীন হ'ব লগা হয়। উদাহৰণ স্বৰূপ,ইছলামৰ এইটো শিক্ষা যে অইনৰ ধন-সম্পত্তি আত্মসাৎ নকৰিব, যদি কোনোবাই কাৰোবাৰ ওচৰত টকা আমানত ৰাখে তাৰ কোনো সাক্ষী প্ৰমাণ নাথাকে, কতিয়াবা তেওঁৰ নিয়ত নিজৰ ল'ৰা-ছোৱালীৰ দৰকাৰী বস্তু-বাহানীৰ কাৰণে বেয়া হৈ যায়, তেওঁ এইটো অনুভৱ কৰে যে মোৰ স্ত্ৰীয়ে মোৰ পৰা টকা খুজিছিল সেই সময়ত মোৰ ওচৰত টকা নাছিল কাৰণে তাইক দিব পৰা নাই,এতিয়া মোৰ সুযোগ আছে, এই আমানতৰ (কোনোবাই তেওঁৰ অধীনত জমা ৰখা ৰাশি) টকা আত্মসাৎ কৰি নিজৰ স্ত্ৰী ল'ৰা-ছোৱালীৰ দৰকাৰী বস্তু পূৰ্ণ কৰি লওঁ বা ল'ৰা-ছোৱালীৰ চিকিৎসাৰ বাবে টকা খৰচ কৰি লওঁ, পিছত কি হয় হ'ব, টকা ঘূৰাই দিয়া নিদিয়া পিছত দেখা যাব।

কিছুমান এনেকুৱা সমস্যাৱলী আহে যে কোনো ধনী ৰাষ্ট্ৰত থকা নিজৰ ছোৱালীৰ বিয়া পাকিস্তানত দিয়ে আৰু জোঁৱাইক প্ৰথম দিনাই কৈ দিয়ে যে মই মোৰ ছোৱালীজনীক বহু স্নেহ আৰু প্ৰেমৰ সৈতে লালন পালন কৰিছোঁ প্ৰত্যেক ধৰণৰ স্বাধীনতা মই তাইক দিছোঁ, গতিকে তাইৰ ওপৰত কোনো ধৰণৰ অত্যাচাৰ নকৰিব; ছোৱালীজনীৰ মস্তিষ্ক দেউতাৰ কথা শুনি আকাশৰ ফালে উঠি যায়, নিজৰ স্বামীক তাই একোৱেই নাভাৱে,অৰ্থাৎ ইছলামী শিক্ষা যে নিজৰ স্বামীৰ হক (অধিকাৰ) যেন আদায় কৰে আৰু নিজৰ ঘৰৰ দায়িত্ব যেন পালন কৰে, এইটো তাইৰ কাৰণে ফৰজ হয়। কেতিয়াবা ল'ৰা পাকিস্তানৰ পৰা ছোৱালী বিয়া পাতি আনে আৰু ছোৱালীজনীৰ ওপৰত ইমান কষ্ট,অত্যাচাৰ কৰে যে ল'ৰাৰ মা-দেউতাই কয় যে ছোৱালীৰ সকলো কিছু সহ্য কৰিব

লাগিব। এনেকুৱা ল'ৰা নিজৰ মা-দেউতাৰ কৰ্মৰ অৱস্থা ধ্বংস কৰি দিয়ে আৰু নিজৰ ঘৰখনো ধ্বংসৰ গ্ৰাসলৈ লৈ যায়।

## কৰ্মৰ সংশোধনত বাধা সৃষ্টি হোৱাৰ ষষ্টম কাৰণ

**মানুহ নিজৰ ভৱিষ্যতৰ ফালে দৃষ্টি নাৰাখে কৰ্মৰ প্ৰতি সদায় লক্ষ্য ৰাখিব লাগিব তেতিয়াহে কৰ্মৰ সংশোধন হ'ব পাৰিব।** (খুতবাতে মাহমুদ খন্ড ১৭ পৃঃ ৩৮০, খুতবা জুমা ১২ জুন চন ১৯৩৬)

প্ৰত্যেক কাম কৰাৰ সময়ত এইটো ভাৱিব লাগিব যে এই কৰ্মৰ ফল পুণ্য হয়নে নহয়, এই কাম কৰাৰ অনুমতি মোৰ আছেনে নাই, মই হজৰত মছীহ মাওউদ (আঃ)ৰ আদেশ মতে কৰ্ম কৰি আছোনে নাই ? য'ত কোৰাণ মজিদৰ সাত শ আদেশ আছে কেতিয়াবা হয়তো আমি এই আদেশৰ পৰা আঁতৰি যোৱা নাইতো। উদাহৰণ স্বৰূপ, ন্যায় মতে কাম কৰা এটা গুৰুত্বপূৰ্ণ আদেশ; এজন দোকানী তেওঁৰ ওচৰত এজন অজনা গ্ৰাহক আহে তেওঁক কম মূল্যৰ বস্তু দি দিয়ে বা তেওঁৰ পৰা বেছি টকা উপাৰ্জন কৰে বা নিৰ্দ্ধাৰিত মূল্যতে বস্তু কম দি দিয়ে,এজন আহমদী দোকানীৰ মৰ্যাদা সদায় ভাল হোৱা উচিত, ওজনত পৰিপূৰ্ণ হ'ব লাগে ,কোনো বস্তুৰ কিবা বেয়া থাকিলে গ্ৰাহকক সেইটোৰ বিষয়ে জনাই দিব লাগে, লাভ অতি কম মাত্ৰাত কৰিব লাগে, আল্লাই ইচ্ছা কৰিলে ব্যাপাৰ-বাণিজ্যত বহুত বৰকত দিয়ে। গতিকে প্ৰত্যেক আহমদী নিষ্ঠাৱান হোৱাৰ প্ৰয়োজন।

## কৰ্মৰ সংশোধনত বাধা সৃষ্টি হোৱাৰ সপ্তম কাৰণ

**মানুহৰ সম্পৰ্ক আৰু সপোন তেওঁৰ ওপৰত আবৃদ্ধ হৈ যায় যাৰ ফলত আল্লাহৰ প্ৰতি ভয় কম হৈ যায়। (খুতবাতে মাহমুদ খন্ড ১৭ পৃঃ ৩৮৩ খুতবা জুমা ১২ জুন চন ১৯৩৬)**

কেতিয়াবা লোভ লালস, বন্ধত্ব, গৌৰৱ এইবোৰে কৰ্মৰ শুধৰণী হ'ব নিদিয়ে। উদাহৰণ স্বৰূপ, আমানতৰ কথা, আমানত যি ধৰে আল্লাহৰ আদেশ অনুযায়ী দৃষ্টি ৰখা উচিত সেই অনুসাৰে নেদেখে, সত্যৰ প্ৰতি সেই ধৰণৰ

লক্ষ্য নাৰাখে যি ধৰণে ৰাখিব লাগে। সত্যক এনে ধৰে দেখিব খোজে যে সত্য কথা কোৱাৰ ফলত মোৰ বন্ধুৰ কোনো ক্ষতিগ্ৰস্ত হ'ব পাৰে। এজনে অইনৰ বিৰুদ্ধে সাক্ষী এই কাৰণে দিয়ে যে কোনো সময়ত তেওঁ মোৰ ক্ষতি কৰিছিল আজি মই সুযোগ পাইছোঁ তাৰ প্ৰতিশোধ লৈ লওঁ আৰু তেওঁৰ বিৰুদ্ধে সাক্ষী দি দিওঁ। হুজুৰ কয় যে এনেকুৱা কৰ্মৰ দুৰ্বলতা আল্লাহৰ প্ৰতি ভয় নথকাৰ ফলত সৃষ্টি হয়।

## কৰ্মৰ সংশোধনত বাধা সৃষ্টি হোৱাৰ অষ্টম কাৰণ

**যেতিয়া নিজৰ বংশধৰৰ সংশোধন নহয় তেতিয়া কৰ্মৰ সংশোধন কৰাত বহুত অসুবিধাৰ সন্মুখীন হ'ব লগা হয়।** (খুতবাতে মাহমুদ খন্ড ১৭ খুতবা জুমা ১২ জুন)।

উদাহৰণ স্বৰূপ, নিষ্ঠাৱান সেই সময়লৈকে পৰিপূৰ্ণ হ'ব নোৱাৰে যেতিয়ালৈকে নিজৰ স্ত্ৰী আৰু ল'ৰা-ছোৱালীয়ে সহযোগীতা নকৰে। ঘৰৰ মালিকে যিমানেই বৈধ উপাৰ্জন কৰোঁতা হওঁক, যদি তেওঁৰ স্ত্ৰী আনৰ ধন-সম্পত্তি লুট-পাট কৰাৰ অভ্যাস থাকে বা বেলেগক ক্ষতি কৰাৰ চেষ্টা কৰে বা ধন-সম্পত্তি বল প্ৰয়োগ কৰি লুট-পাট কৰি ঘৰত লৈ আহে আৰু তেওঁৰ ল'ৰা ঘোচ খোৱা ধন ঘৰত লৈ আহে তেতিয়া তেওঁৰ খাদ্য বৈধ হ'ব নোৱাৰে। ঘৈনীয়েক পুণ্য কিন্তু স্বামী বৈধ উপাৰ্জন নকৰে তেতিয়া ঘৰৰ মাজত বিশৃংখলা আৰম্ভ হয় আৰু অশান্তি পৰিৱেশ সৃষ্টি হ'ব ধৰে। আল্লাহ তায়লা কৈছে,

قُوْٓا اَنْفُسَكُمْ وَاَهْلِيْكُمْ نَارًا (66:6)

**অৰ্থ ঃ-** নিজকে আৰু নিজৰ স্ত্ৰীসকলক জুইৰ পৰা ৰক্ষা কৰিব।(ছুৰা তাহৰীম আয়াত ৬)

# সাৰাংশ খোতবা জুমা ১০ জানুৱাৰী চন ২০১৪

## কৰ্মৰ সংশোধনৰ বাবে তিনিটা বস্তুৰ প্ৰয়োজন

## (১) ইচ্ছা শক্তি (২) সঠিক আৰু পৰিপূৰ্ণ জ্ঞান শক্তি (৩) কৰ্ম শক্তি

হুজুৰ কয় যে হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে বৰ সুন্দৰ ভাৱে ব্যাখ্যা কৰি কৈছে যে কৰ্মৰ সংশোধনৰ কাৰণে যদি নিম্ন লিখিত কথাবোৰ মানুহৰ মাজত সৃষ্টি হৈ যায় তেতিয়া সফলতা অৰ্জন কৰিব পাৰিব; বস্তু তিনিটা হ'ল (১) ইচ্ছা শক্তি (২) সঠিক আৰু পৰিপূৰ্ণ জ্ঞান (৩) কৰ্ম শক্তি। প্ৰকৃতপক্ষে শক্তি দুটা ঃ ইচ্ছা শক্তি আৰু কৰ্ম শক্তি, উভয়ৰ মাজত ৰখা হৈছে সঠিক আৰু পৰিপূৰ্ণ জ্ঞান। এই দুয়োটাই প্ৰকৃত বস্তুৰ ওপৰত প্ৰভাৱ পেলায়,সঠিক জ্ঞান, কৰ্ম শক্তিৰ ওপৰত প্ৰভাৱ পেলায় আৰু ইচ্ছা শক্তিৰ ওপৰতো প্ৰভাৱ পেলায়।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে এইটো কথাও বৰ্ণনা কৰিছে যে আল্লাহ তায়লা প্ৰত্যেক মানুহৰ মাজত তুলনা কৰাৰ শক্তি ৰাখিছে যাৰ ফলত তেওঁ দুটা বস্তুৰ মাজত তুলনা কৰি থাকে। কোনোবাই এইটো সিদ্ধান্ত লয় যে অমুক কাম কৰাৰ বাবে ইমানখিনি শক্তিৰ প্ৰয়োজন আছে কাৰণ গোটেই শক্তি মানুহৰ হাতত নাথাকে, অৰ্থাৎ মস্তিষ্কত সংৰক্ষিত থাকে। প্ৰথমবাৰ যদি এটা কাম কৰে, উদাহৰণ স্বৰূপ, ওজন উঠোৱা, যদি ওজনখিনি উঠাব নোৱাৰে তেতিয়া মানুহজনে শক্তিৰ কাৰণে নিজৰ মস্তিষ্ক প্ৰয়োগ কৰে যাৰ ফলত শক্তি সৃষ্টি হয় আৰু বস্তু খিনি উঠোৱাত সহজ হৈ পৰে। Compare কৰাৰ ফলত জ্ঞানৰ দ্বাৰা শক্তি বৃদ্ধি পায় সেইটো ভিতৰুৱা জ্ঞানেই হওঁক বা বাহিৰৰ জ্ঞানেই হওঁক। ভিতৰুৱা জ্ঞানৰ অৰ্থ হ'ল চকু দি চাই অভিজ্ঞতা লাভ কৰা, আৰু বাহিৰৰ জ্ঞানৰ অৰ্থ হ'ল বাহিৰৰ শব্দ যি কৰ্ণত পৰে, উদাহৰণ স্বৰূপ, বাহিৰত কোনোবাই কাৰোবাক আক্ৰমণ কৰিছে বাহিৰৰ আক্ৰমণৰ পৰা সাৱধান কৰাৰ বাবে বাহিৰৰ শব্দই মানুহক সতৰ্ক কৰি দিয়ে। কিন্তু যিটো ওজন উঠোৱাৰ উদাহৰণ দিয়া হৈছিল এইটো তুলনা কৰাৰ শক্তিয়ে নিজেই সিদ্ধান্ত

লয় যে প্ৰথমে ইমানখিনি ওজন উঠাব পৰা নাই কাৰণ তুমি সেইটোক কম ওজন বুলি ভাৱিছিলা, উদাহৰণ স্বৰূপ, সেই বস্তুটো দহ কিলোগ্ৰাম আছিল আৰু তুমি সেইটো পাঁচ কিলোগ্ৰাম বুলি ভাৱিছিলা যাৰ ফলত তুমি বেছি শক্তি প্ৰয়োগ কৰা নাছিলা, এতিয়া এইটো উঠোৱাৰ কাৰণে দহ কিলোগ্ৰাম ওজনৰ শক্তি প্ৰয়োগ কৰিলেহে উঠাব পাৰিবা। এই কথা যদি সন্মুখত ৰখা হয় তেতিয়া মানুহ সঠিক কৰ্মৰ কাৰণে থিয় হ'ব পাৰিব যে Compare কৰাৰ শক্তিয়ে এই সিদ্ধান্ত লয় যে মই মোৰ প্ৰচেষ্টাৰ কাৰণে কিমানখিনি শক্তিৰ প্ৰয়োজন হ'ব। কেতিয়াবা মানুহৰ সঠিক জ্ঞান নোহোৱাৰ কাৰণে কৰ্মৰ সংশোধন হ'ব নোৱাৰে। Compare কৰা শক্তিৰ জ্ঞান নথকাৰ কাৰণে সঠিক খবৰ নাপায় যে তেওঁৰ কৰ্মৰ সংশোধনৰ কাৰণে কিমান খিনি শক্তিৰ প্ৰয়োজন আছে। অৰ্থাৎ Compare কৰাৰ শক্তিয়ে মানুহক জাগ্ৰত কৰে।

সকলো কথাৰ সাৰাংশ এয়া যে কৰ্মৰ সংশোধনৰ কাৰণে আমাৰ তিনিটা বস্তুৰ প্ৰয়োজন আছে, প্ৰথমে ইচ্ছা শক্তি। জ্ঞান বৃদ্ধিৰ ফলত আমাৰ ইচ্ছা শক্তিয়ে নিজৰ দায়িত্বৰ কথা অনুভৱ কৰে যে এইটো শুদ্ধ হয়নে ভুল, শুদ্ধৰ সৈতে Compare কৰিব আৰু ইয়াৰ ওপৰত কৰ্ম কৰাৰ কাৰণে পৰিপূৰ্ণ বাবে চেষ্টা কৰিব। আলস্যত পৰি মানুহ যেন নিজৰ সুবিধাসমূহ হেৰাই নেপেলায়। তৃতীয় কৰ্ম শক্তি। আমাৰ অংগ যেন ইচ্ছাৰ পিছে চলে, বেয়া ধৰণৰ ইচ্ছা যেন নহয় পুণ্য কাম কৰাৰ ইচ্ছা যেন হয় আৰু তাৰ উদ্দেশ্যক মান্য কৰাৰ বাবে যেন অস্বীকাৰ নকৰে। এইবিলাক কথা পাপৰ পৰা দূৰত থকাৰ পন্থা হয় আৰু কৰ্মৰ সংশোধনৰ প্ৰকৃত বস্তু হয়। নিজৰ ইচ্ছা শক্তি ইমান শক্তিশালী বনাব লাগিব যে নিজৰ আদেশ, শক্তি যেন প্ৰকৃত বস্তুৰ সৈতে হয় আৰু সৰু ডাঙৰ পাপসমূহ নিজৰ ওপৰত যেন জয় লাভ কৰিব নোৱাৰে। অৰ্থাৎ আমি আমাৰ কৰ্মৰ সংশোধনৰ বাবে এই কথাবোৰৰ প্ৰতি লক্ষ্য ৰখাৰ প্ৰয়োজন আছে, এই কথা বিলাক আমাৰ মাজত সৃষ্টি কৰাৰ প্ৰয়োজন আছে। নিজৰ ইচ্ছা শক্তি শক্তিশালী কৰাৰ প্ৰয়োজন আছে, কৰ্ম শক্তি শক্তিশালী কৰাৰ

প্ৰয়োজন আছে যাতে আমি হজৰত মছীহ্ মাওউদ (আঃ)ৰ প্ৰেৰণ হোৱাৰ উদ্দেশ্যক পৰিপূৰ্ণ কৰিব পাৰো। আল্লাহ তায়লা আমাক যি শক্তি প্ৰদান কৰিছে তাৰ মাজত যেন কোনো ধৰণৰ মামৰ্ নালাগে।

# সাৰাংশ খোতবা জুমা ১৭ জানুৱাৰী চন ২০১৪

## ইচ্ছা শক্তিৰ অৰ্থ

হুজুৰ কয় যে এইটো আমি দেখিব পাৰিলোঁ যে কৰ্মৰ সংশোধনৰ বাবে তিনিটা কথাৰ প্ৰয়োজন আছে তাৰ মাজত পোনপ্ৰথম কথা হ'ল ইচ্ছা শক্তি। এই ইচ্ছা শক্তি কি বস্তু যদি প্ৰশ্ন উত্থাপন হয় তেতিয়া অধিক সংখ্যক মানুহে ক'ব যে কোনো কাম কৰাৰ শক্তিশালী ইচ্ছা আৰু সেই কাম পৰিপূৰ্ণ কৰা। ইয়াত প্ৰশ্ন দাঙি তোলাৰ কিয় প্ৰয়োজন হৈছে যে ইচ্ছা শক্তি কি বস্তু? এই সম্পৰ্কে অৱগত হোৱা অৱশ্যই দৰকাৰ। হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে বৰ ধুনীয়া পদ্ধতিত এইটোৰ বিষয়ে বৰ্ণনা কৰি কৈছে যে ইচ্ছা শক্তিৰ ব্যাখ্যা কৰ্ম হিচাপে প্ৰত্যেক ঠাইত পৰিৱৰ্ত্তন হয়; গতিকে এই প্ৰকৃত কথা আমাৰ মনত ৰখা উচিত আৰু যেতিয়া এই কথা আমি সন্মুখত ৰাখিম তেতিয়াহে আমি এই বিষয়ে চিন্তা-ভাৱনা কৰিব পাৰিম যে ধৰ্মৰ ক্ষেত্ৰত ইচ্ছা শক্তি কি বস্তু? ধৰ্মৰ ক্ষেত্ৰত ইচ্ছা শক্তিৰ অৰ্থ হ'ল ঈমান। যেতিয়া আমি লক্ষ্য কৰো তেতিয়া আমি জানিব পাৰো যে **কৰ্ম শক্তি ঈমান** বৃদ্ধি হোৱাৰ ফলত বেছি হয়। যদি ঈমান পৰিপূৰ্ণ হয় আৰু আল্লাহৰ সৈতে সম্পৰ্ক স্থাপন কৰে; তেতিয়া মানুহৰ কাম নিজে নিজে সফল হ'ব ধৰে, প্ৰত্যেক অসুবিধা আল্লাহ তায়লাৰ কৃপাত সহজ হ'ব ধৰে। কৰ্মৰ অসুবিধা ঈমানৰ কাৰণে বতাহত উৰি যায় আৰু অতি সহজে মানুহ সেইটোৰ ওপৰত বিজয় লাভ কৰিব পাৰে। যেতিয়া আমি হজৰত মহম্মদ (ছাঃ)ৰ যুগৰ ফালে দৃষ্টি নিক্ষেপ কৰো তেতিয়া **ঈমানৰ** পূৰ্বৰ পৰিস্থিতি আৰু পৰৱৰ্তী পৰিস্থিতি চালে আচৰিত যেন লাগে। হজৰত মহম্মদ (ছাঃ)ৰ ওপৰত যিসকলে **ঈমান** আনিছিল সিহঁতৰ মাজত কোনে আছিল, সিঁহতৰ কৰ্মৰ অৱস্থা কেনেকুৱা আছিল, ইতিহাস আমাক এই

বিষয়ে কয় সেই **ঈমান** অনা সকলৰ মাজত চোৰ আছিল,ডকাইত আছিল,কাজিয়া সৃষ্টি কৰা মানুহ আছিল, তাৰ মাজত এনেকুৰা লোকও আছিল যিসকলে নিজৰ মাতৃৰ সৈতে বিয়া পাতিছিল, নিজৰ ছোৱালীক হত্যা কৰিছিল, সিহঁতৰ মাজত জুৱা খেলুৱৈ আছিল, সদায় জুৱা খেলিছিল, সিহঁতৰ মাজত সুৰা পান কৰা লোকও আছিল, সুৰা এনেদৰে পান কৰিছিল যে তেওঁৰ নিচিনা আৰু কোনোবাই পান কৰিব পৰা নাছিল, সুৰা পান কৰাটোক সিহঁতে মৰ্যাদাপ্ৰাপ্ত বুলি ভাৱিছিল। এজনে আনজনতকৈ বেছি সুৰা পান কৰাটোক গৌৰৱ অনুভৱ কৰি কৈছিল যে মই বেছি পান কৰিছোঁ,আৰু বেছি পান কৰিব পাৰো। এজন কবিয়ে নিজৰ গৌৰৱৰ কথা প্ৰকাশ কৰি কয় যে মই সেইজন হয় যিজনে ৰাতি সাৰ পাই সুৰা পান কৰো আৰু পানীত হাত পৰ্য্যন্ত নলগাও। জুৱা খেলুৱৈ জনে নিজৰ জুৱা খেলৰ কথা গৌৰৱ অনুভৱ কৰি কয়, মই সেইজন হয় যিজনে নিজৰ সকলো টকা-পইচা জুৱা খেলত নষ্ট কৰো; আকৌ ধন-সম্পত্তি আহে আকৌ জুৱা খেলত টকা নষ্ট কৰো। সম্ভৱত আজি কালি ডাঙৰ ডাঙৰ জুৱা খেলুৱৈ জনে এই ধৰণৰ জাননী দিব নোৱাৰে। এনেকুৰা পৰিস্থিতি সেই সময়ত আছিল যেতিয়া হজৰত মহম্মদ (ছাঃ)ৰ ওপৰত **ঈমান** আনিলে তেতিয়া পৰিস্থিতি দ্ৰুত গতিত পৰিৱৰ্ত্তন হ’ব ধৰিলে,কেনেকুৰা বিজয় সিহঁতৰ মাজত আহিছিল। এইটো ঘটনা আমি ইতিহাসৰ পৰা জানিব পাৰো যে কেনেকৈ ইমান সোনকালে ইমান ডাঙৰ বিজয় সিহঁতৰ মাজত বিস্তাৰ লাভ কৰিছিল। **ঈমান** অনাৰ লগে লগে সিহঁতে সিদ্ধান্ত কৰি লৈছিল যে এতিয়া ধৰ্মীয় শিক্ষাৰ ওপৰত কৰ্ম কৰাৰ কাৰণে আমাৰ মন শক্তিশালী কৰিব লাগিব,সিঁহতে এইটোও সিদ্ধান্ত কৰি লয় যে আল্লাহ তায়লাৰ আদেশৰ বিৰুদ্ধে আমি আমাৰ ভৰিখন আগবাঢ়িব নিদিওঁ। সিহঁতে এইটো সিদ্ধান্ত কৰি লয় যে হজৰত মহম্মদ (ছাঃ)ৰ প্ৰত্যেক আদেশ আমাৰ কাৰণে শেষ আদৰ্শ হয়। সিহঁতৰ সিদ্ধান্ত ইমান শক্তিশালী আছিল যে সিহঁতৰ কৰ্মৰ দুৰ্বলতা এই সিদ্ধান্তৰ সন্মুখত অলপ সময়ৰ কাৰণে ৰৈ থাকিব দিয়া নাছিল। সিঁহতৰ মাজত এনেকুৰা পৰিৱৰ্ত্তন আহিছিল যে

সিহঁতে ভয়ংকৰ ভয়ংকৰ অসুবিধাৰ সন্মুখীনৰ বাবে প্ৰস্তুত হৈছিল; কেৱল মাত্ৰ প্ৰস্তুতেই হোৱা নাছিল; বৰং সেই ইচ্ছা শক্তি সিহঁতে নিজৰ মাজত সৃষ্টি কৰিছিল সিহঁতৰ কৰ্মৰ দুৰ্বলতা এনেদৰে দলিয়াই দিছিল আৰু দূৰ কৰিছিল যেনেকুৱা দ্ৰুত গতিত অহা বান-পানীয়ে এটা ভাহি থকা বস্তুক তীব্ৰ গতিৰে ভটীয়াই লৈ যায়। এই ধৰণৰ ইচ্ছা শক্তি যদি সৃষ্টি হৈ যায় আৰু **ঈমান** শক্তিশালী হৈ যায় তেতিয়া মানুহৰ কৰ্মৰ সংশোধনৰ কাৰণে আন কোনো বাট অৱলম্বন কৰাৰ প্ৰয়োজন নপৰিব। চৈধ্যশ বছৰ আগত যেনেকুৱা **ঈমান শক্তিশালী** হোৱাৰ ফলত কৰ্মৰ সংশোধনত বিজয় লাভ কৰিছিল তাৰ উদাহৰণ আন ঠাইত আৰু পোৱা নাযায় কেনেকুৱা আচৰিত ধৰণৰ বিজয় পৃথিৱীৰ বুকুত আহিছিল; কিন্তু এই ধৰণৰ অনেক মিল থকা উদাহৰণ হজৰত মহম্মদ (ছাঃ)ৰ গোলাম দাসত্ব হজৰত মিৰ্জা গোলাম আহমদ চাহাবৰ চাহাবাসকলৰ মাজত পোৱা যায়। ধূমপান অবৈধ নহয় কিন্তু হজৰত মছীহ মাওউদ (আঃ) এইটো ব্যৱহাৰ কৰাক বেয়া বুলি কৈছে, এঠাইত উল্লেখ কৰিছে যে যদি ধূমপান হজৰত মহম্মদ (ছাঃ)ৰ যুগত থাকিলেহেঁতেন তেতিয়া এইটো নিষিদ্ধ হ'লহেঁতেন, কিন্তু ইয়াৰ মাজত এটা বেয়া বস্তু আছে সেয়া হ'ল নিচা সৃষ্টি কৰে। হজৰত মছীহ মাওউদ (আঃ)য়ে এবাৰ ভ্ৰমণৰ সময়ত যেতিয়া হোঁকা অপছন্দনীয় বস্তু বুলি প্ৰকাশ কৰে তেতিয়া চাহাবাসকলে যিসকলৰ হোঁকা টনাৰ অভ্যাস আছিল নিজৰ হোঁকা বিলাক ভাঙি পেলায় আৰু ধূমপানৰ ওচৰলৈয়ো নাযায়। অৰ্থাৎ এই ধৰণৰ আদৰ্শ আমাৰ প্ৰতিষ্ঠিত কৰাৰ প্ৰয়োজন আছে। কোনো আইন বা নিয়মাৱলীক ভয় কৰি বা সমাজক ভয় কৰি বেয়া বস্তু বিলাক এৰিব নালাগে, এই ধৰণৰ মনোভাৱ হ'ব নালাগে যে মা-দেউতাক ভয় কৰি বেয়া বস্তুৰ পৰা আঁতৰত থাকিব, চিন্তা-ভাৱনা এনেকুৱা হ'ব লাগিব যে আমি বেয়া বস্তু এই কাৰণে এৰি দিম, কাৰণ আল্লাহ্ আৰু ৰছুলে কৰিম (ছাঃ)য়ে আমাক এইবিলাকৰ পৰা আঁতৰত থাকিবলৈ কৈছে বা এই যুগত হজৰত মছীহ মাওউদ (আঃ)য়ে আমাক নিষেধ কৰিছে। মুছলমান ৰাষ্ট্ৰত

যদিওবা সুৰা পান মুকলি মঞ্চত দেখিবলৈ পোৱা নাযায়, পাকিস্তানৰ বিষয়ে হয়তো মই জানো যে আইনে ইয়াৰ অনুমতি প্ৰদান নকৰে, পলায়ন কৰি সুৰা (মদ) বনায় যাক দেশী সুৰা বুলি কয় আৰু পান কৰে যাৰ নিচাও অত্যন্ত বেছি হয়। মই দেখিছো যে কিছুসংখ্যক বিশ্ববিদ্যালয়ৰ ছাত্ৰ সকলে এনেকুৱা ছিৰাপ বা ঔষধ ব্যৱহাৰ কৰে যাৰ লগত এলকহল মিশ্ৰিত থাকে বিশেষ কৰি কাঁহৰ ছিৰাপ যাক নিচা হিচাপে ব্যৱহাৰ কৰে। এইদৰে আমেৰিকাত হোঁকাৰ নামত নিচা কৰে সেইটো হ'ল উন্নত ধৰণৰ হোঁকা, ইয়াৰ পৰা মই জানিব পাৰিছোঁ যে কিছুসংখ্যক যুৱক ল'ৰা-ছোৱালীয়েও এই ধৰণৰ নিচা ব্যৱহাৰ কৰে আৰু কয় যে এইটোত নিচা নাই মাজে সময়ে ব্যৱহাৰ কৰাত একোৱেই নহয়। মনত ৰাখিবা মাজে মাজে ব্যৱহাৰ কৰাৰ ফলত মানুহ ডাঙৰ নিচাত আৱদ্ধ হৈ যায় আৰু সেইটো ত্যাগ কৰা বহু কষ্টকৰ হৈ যায়। এতিয়াৰ পৰা ইচ্ছা শক্তিৰ দ্বাৰা কাম ল'ব লাগিব আৰু বেয়া কামৰ পৰা দূৰত থাকিব লাগিব তাৰ কাৰণে নিজৰ ঈমানৰ প্ৰতি লক্ষ্য ৰাখিব লাগিব ঈমান প্ৰগাঢ় হোৱাৰ ফলত ইচ্ছা শক্তি সৃষ্টি হয় আৰু তৎক্ষণাত ডাঙৰ সিদ্ধান্ত লয় যেনেকুৱা চাহাবা সকলৰ আদৰ্শ আমি দেখিছোঁ।

## জ্ঞান শক্তিৰ অৰ্থ

জ্ঞান শক্তি যদি কোনোবাৰ আছে তেতিয়া কৰ্মৰ যি দুৰ্বলতা সেয়া জ্ঞান কম হোৱাৰ কাৰণেহে হয়, উদাহৰণ স্বৰূপ, বাল্যকালৰ কিছু অভ্যাস ল'ৰা-ছোৱালীৰ মাজত থাকে, কোনোবাৰ মাটি খোৱাৰ অভ্যাস থাকে যেতিয়া সেইটোৰ হানিকাৰকৰ বিষয়ে জ্ঞান অৰ্জন হয় তেতিয়া তেওঁ চেষ্টা কৰে সেইটো দূৰ কৰাৰ কাৰণে, জ্ঞান অৰ্জন হোৱাৰ পিছত নিজে নিজেই সেইটো দূৰ হৈ যায়। বহুত এনেকুৱা অভ্যাস আছে উদাহৰণ স্বৰূপ, এজন ছোৱালীৰ কথা মোৰ মনত পৰে যে তাইৰ এইটো অভ্যাস আছিল যে ৰাতিত টোপনি যোৱা অৱস্থাত নিজৰ চুলি টানি টানি ক্ষত কৰি পেলাইছিল এতিয়া ডাঙৰ হ'ব ধৰিছে আৰু তাইৰ অনুভৱ হৈ আছে যাৰ ফলত তাই সেই অভ্যাসৰ পৰা ৰক্ষা পাই আছে,

এইবিলাক অভ্যাস, জ্ঞান হোৱাৰ পিছত নাইকিয়া হৈ যায়।

## কৰ্ম শক্তিৰ অৰ্থ

তৃতীয় বস্তু যাৰ ফলত কৰ্মৰ দুৰ্বলতা সৃষ্টি হয় সেয়া হ'ল **কৰ্ম শক্তি** নথকাৰ কাৰণে। অৰ্থাৎ এই তিনিও শ্ৰেণীৰ মানুহ পৃথিৱীত পোৱা যায়। কিছুমান এনেকুৱা মানুহ আছে যিসকলৰ কৰ্মৰ দুৰ্বলতাৰ কাৰণে সিহঁতৰ ঈমান পৰিপূৰ্ণ হ'ব নোৱাৰে। কিছুমান এনেকুৱা মানুহ আছে সিহঁতৰ কৰ্মৰ দুৰ্বলতা সিহঁতৰ পৰিপূৰ্ণ জ্ঞান নথকাৰ কাৰণে হয়। কিছুমান মানুহ এনেকুৱা আছে যিসকলৰ ঈমান আৰু জ্ঞান দুয়োটাই আছে কিন্তু আন আন পদ্ধতিসমূহত তেওঁৰ ওপৰত এনেকুৱা মামৰ্ লাগি যায় যে দুয়োটাৰ চিকিৎসা অসম্ভৱ হৈ পৰে তেতিয়া বাহিৰৰ চিকিৎসাৰ প্ৰয়োজন হয়, কোনো সহায়ৰ প্ৰয়োজন হয়, যেনেকুৱা কোনোবাৰ হাড় ভাঙি যায় তেতিয়া পালাষ্টাৰ কৰি বাহিৰৰ বস্তুৰ সহায় ল'ব লাগে হাড়খন Join হোৱাৰ কাৰণে। কেতিয়াবা অপাৰেছন কৰি প্লেট সোমাই দিয়া হয় যাতে হাড়খন লাহে লাহে Join হৈ শক্তিশালী হ'ব পাৰে; শক্তি অহাৰ পিছত বাহিৰৰ বস্তুৰ সহায় দূৰ কৰি দিয়া হয়।এনেকুৱা কিছুমান মানুহৰ কাৰণে কিছুকাল লৈকে বাহিৰৰ বস্তুৰ সহায়ৰ প্ৰয়োজন হয় আৰু লাহে লাহে এই সহায় তেওঁৰ ভিতৰত শক্তি সৃষ্টি কৰে যে তেওঁ নিজেই শক্তিশালী হৈ যায় আৰু কৰ্মৰ দুৰ্বলতা দূৰ হৈ যায় যেনেকুৱা মই যোৱা খোতবাত কৈছিলো যে আমাৰ জমাতৰ ব্যৱস্থাপনা, জমাতৰ দায়িত্ববান সকল আৰু জিলি তনজিম (খুদ্দাম,আনচাৰ,আতফাল,লাজনা,নাচিৰাত) সকলে যেন নিজৰ কৰ্মৰ দুৰ্বলতা দূৰ কৰাৰ কাৰণে চেষ্টা কৰে। কিন্তু দায়িত্ববান সকলে যদি নিজৰ ইচ্ছা শক্তিত দুৰ্বলতা দেখুৱায়, জ্ঞান দুৰ্বল থাকে,কৰ্মক্ষেত্ৰত দুৰ্বলতা থাকে তেতিয়া তেওঁ কোনোবাৰ সহায় কেনেকৈ কৰিব পাৰিব। জমাতৰ উন্নতিৰ বাবে ব্যৱস্থাপনাক নিজৰ প্ৰত্যেক অংশৰ প্ৰতি লক্ষ্য ৰাখি সংশোধন কৰিব লাগিব আৰু নিজৰ ওচৰ-চুবুৰীয়াৰ প্ৰতি লক্ষ্য ৰাখি সিহঁতক সংশোধন কৰাব লাগিব তেতিয়াহে আল্লাহ তায়লাৰ নৈকট্যপ্ৰাপ্ত হ'ব পাৰিব।

আল্লাহ্ তায়লা আমাক কৰ্মৰ সংশোধন কৰাৰ তৌফিক দান কৰক। আমিন-

# সাৰাংশ খোতবা জুমা ২৪ জানুৱাৰী ২০১৪

## মুৰব্বী আৰু পদাধিকাৰী সকলৰ ফৰজ

হুজুৰ কয় যে মই এয়া ক'ব বিচাৰো যে আমাৰ মুৰব্বী সকল, আলিম সকল, দায়িত্ববানসকল আৰু আমিৰ সকল,যিসকলে উপদেশ দিয়াৰ সুবিধা পায় তাৰ মাজত জিলি তনজিমৰ দায়িত্ববান সকলেও অৰ্ন্তভুক্ত; বিশেষকৈ সেই কথাসমূহ সন্মুখত ৰাখিব লাগে যাৰ ফলত জমাতৰ সদস্য সকলৰ কৰ্মৰ পৰিপূৰ্ণ সংশোধন হ'ব পাৰে। এই সম্পৰ্কে মই মাজে সময়ে বহু কথা কৈ থাকো আৰু এতিয়া MTA ৰ নিয়ামত হোৱাৰ কাৰণে জমাতি সদস্য সকল যতেই নাথাকক কিয় যদি MTA ৰ লগত সম্পৰ্ক স্থাপন থাকে তেতিয়া মোৰ কথা বিলাক শুনি থাকে তেতিয়া আল্লাহৰ কৃপাত সিহঁতৰ ওপৰত প্ৰভাৱো পৰে। কিন্তু মুৰব্বীসকল,আমিৰসকল আৰু দায়িত্ববান সকলে নিজৰ কাৰ্যসূচীবোৰ এনেদৰে বনাব যাতে সেই কাৰ্যসূচীৰ কথাবোৰ বাৰম্বাৰ শুনি সিহঁতৰ মস্তিষ্কত বহি যায় আৰু কৰ্মৰ ভাল প্ৰভাৰ যেন প্ৰকাশ পায়।

আমাৰ আলিমসকল,মুৰব্বীসকল,আৰু দায়িত্ববানসকল সিহঁতৰ নিজৰ নিজৰ সীমাৰ ভিতৰত থাকি জমাতৰ সদস্যসকলক আল্লাহৰ সৈতে কেনেকৈ সম্পৰ্ক গঢ়ি তুলিব পাৰে এইবিলাক কথা বাৰে বাৰে বৰ্ণনা নকৰে বা তেনেদৰে বৰ্ণনা নকৰে যেনেদৰে বৰ্ণনা কৰিব লাগে বা সিহঁতৰ আদৰ্শ তেনেধৰণৰ নহয় যাক দেখি মানুহ  তেওঁৰ ফালে আগবাঢ়ি আহিব। হজৰত মছীহ মাওউদ (আঃ)ৰ আৰু আপোনাৰ চাহাবাসকলৰ কথা বাৰে বাৰে বৰ্ণনা নকৰে আৰু নিদৰ্শন সমূহৰ ঘটনা যিবিলাক বুজুৰ্গসকলৰ লগত হৈছে সেই ঘটনাসমূহ বাৰে বাৰে সমাজৰ মাজত বৰ্ণনা নকৰে আৰু সিহঁতক বিশ্বাস স্থাপন নকৰায় যে আল্লাহ তায়লা নিজৰ গুণবোৰ কোনো সীমিত সময়লৈ আৰু ব্যক্তিসকলৰ কাৰণে নিৰ্দ্ধাৰিত কৰি দিয়া নাই। অৰ্থাৎ আজিও আল্লাহ তায়লা নিজৰ গুণবোৰ প্ৰকাশ কৰে। যদি এই কথাবোৰ বাৰে বাৰে বৰ্ণনা কৰা হয় আৰু আল্লাহৰ

সৈতে সম্পৰ্ক গঢ়ি তোলাৰ চেষ্টা কৰোৱা হয় আৰু আল্লাই হজৰত মছীহ মাওউদ (আঃ)ৰ সৈতে কৰা প্ৰতিশ্ৰুতিৰ কথা বৰ্ণনা কৰা হয় তেতিয়া দোৱা গ্ৰহণযোগ্য হোৱাৰ ব্যাখ্যা বুজিব পাৰিব আৰু নিদৰ্শসমূহও প্ৰকাশ পাব ধৰিব। এই কথাবোৰ কোৱাৰ প্ৰয়োজন এই কাৰণে হৈছে যে এই যুগত হজৰত মহম্মদ (ছাঃ)ৰ ভৱিষ্যতবাণী অনুযায়ী আগমনকাৰী হজৰত ইমাম মাহদী (আঃ)ৰ সৈতে সম্পৰ্ক স্থাপিত কৰি আল্লাহ তায়লাৰ সৈতে যেন ঘনিষ্ঠ সম্পৰ্ক গঢ়ি তুলিব পাৰে। নিদৰ্শন মাথোন হজৰত মছীহ মাওউদ (আঃ)ৰ লগত আৰু তেখেতৰ যুগৰ সৈতেই সীমাবদ্ধ নাছিল, অৰ্থাৎ এতিয়াও আল্লাহ তায়লা নিজৰ কুদৰত (ক্ষমতা) দেখুৱায়; অৰ্থাৎ পুণ্য কাম কৰাৰ প্ৰয়াস, আল্লাহৰ সৈতে সম্পৰ্ক গঢ়ি তোলাৰ প্ৰচেষ্টা আমাৰ জমাতৰ মাজত সাধাৰণ যেন হৈ যায়; তেতিয়া অধিক সংখ্যকে নিজৰ পাপসমূহ দূৰ কৰাৰ চেষ্টা কৰিব। পাপসমূহ দূৰ কৰা বৰ কষ্টকৰ কাম হয় সেইটোৰ দাবী হয়তো কৰিব নোৱাৰে, কিন্তু জমাতি সদস্য সকলে পাপ যেন নিজৰ ফালে আহিব নিদিয়ে।

আমাৰ মুৰব্বীসকল, আমিৰ সকল আৰু পদবীধাৰী সকলে নিজৰ নিজৰ সীমাবন্ধনৰ সংশোধন কৰা উচিত আৰু জমাতি সদস্য সকলক এইটো কোৱা উচিত যে হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে তেওঁৰ পৰিপূৰ্ণ অনুসৰণ কৰাৰ ফলত আল্লাহৰ সন্তুষ্টি অৰ্জন কৰিব পাৰিব। অধিক পৰিমাণে এনেকুৱা মানুহৰ দোৱা গৃহীত হয়। আল্লাহৰ কৃপাত জমাতৰ মাজত এনেকুৱা মানুহ আছে আৰু সিহঁতে মোক লিখি থাকে।

আল্লাহ  তায়লা হজৰত মছীহ মাওউদ (আঃ)ক প্ৰেৰণ কৰাৰ উদ্দেশ্য আছিল মানুহক যেন পাপৰ পৰা আঁতৰত ৰাখে আৰু আল্লাহৰ সৈতে এনেকুৱা সম্পৰ্ক যেন গঢ়ি তুলাব পাৰে যাৰ ফলত আল্লাহৰ সন্তুষ্টি অৰ্জন লাভ কৰিব পাৰে। অৰ্থাৎ প্ৰত্যেকজনে যদি নিজৰ নিজৰ সীমাৰ ভিতৰত সীমাবদ্ধ হৈ কাম আৰম্ভ কৰে তেতিয়া প্ৰকাশ্যে বাবে পৰিৱৰ্ত্তন আহিব, বৰ্তমান যুগত জ্ঞানৰ নামত বিদ্যালয়ত বহু ধৰণৰ বেয়া কথা ল'ৰা ছোৱালীক কোৱা হয়, আমাৰ

ব্যৱস্থাপনাই সৰু ল'ৰা-ছোৱালী আৰু যুৱকসকলক সঠিক জ্ঞান দিয়াৰ প্ৰয়োজন আছে। মা-দেউতা নিজৰ ল'ৰা-ছোৱালীৰ প্ৰতি লক্ষ্য ৰাখি সিহঁতক যেন ক্ষতিকাৰক শিক্ষাৰ পৰা দূৰত ৰাখে যি শিক্ষা ল'ৰা- ছোৱালীক বাল্যকালত স্কুলত দিয়া হয়। মা-দেউতা এই বিষয়ে অৱগত হোৱাৰ দৰকাৰ যাতে নিজে আৰু নিজৰ ল'ৰা-ছোৱালীক এনে ধৰণৰ শিক্ষাৰ পৰা বচাব পাৰে। ইয়াত অতি কম বয়সতে কিছুমান অযথা কথা ল'ৰা ছোৱালীক শিকায় আৰু দলিল এইটো দিয়ে যে ভাল-বেয়াৰ মাজত এদিন পাৰ্থক্য হৈ যাব। প্ৰকৃততে ভাল বেয়াৰ মাজত পাৰ্থক্য নহয়; অৰ্থাৎ সৰু ল'ৰা-ছোৱালীৰ বাল্যকালৰে পৰা সিহঁতৰ মস্তিষ্কত ভুল চিন্তা-ভাৱনা বহি যায় কাৰণ সিহঁতৰ সন্মুখত সিহঁতৰ মা-দেউতাৰ বা পৰিৱেশৰ বেয়া আদৰ্শ দেখিবলৈ পাইছে যাৰ ফলত ভাল আদৰ্শবান সকলৰ সংখ্যাও হ্ৰাস পাব ধৰে।

অৰ্থাৎ মুৰব্বীসকল,দায়িত্ববান সকল,জিলি তনজিমৰ ছেক্ৰেটাৰী (খুদ্দাম,আতফাল,আনচাৰ,লাজনা,নাচিৰাত) আৰু মা-দেউতা সকলোৱে মিলি চেষ্টা কৰিব লাগিব যে ভুল শিক্ষাৰ ঠাইত সঠিক শিক্ষাৰ ফালে যেন অৱগত কৰায়। স্কুলৰ পদ্ধতি আমি বন্ধ কৰিব নোৱাৰো, কিন্তু ল'ৰা-ছোৱালীক নিজৰ কৰ্মৰ আদৰ্শ দেখুৱাই সমাজ বা পৰিৱেশৰ বেয়া প্ৰভাৱৰ পৰা বচাব পাৰিব। আল্লাহ তায়লা প্ৰত্যেকক ধুনীয়া পদ্ধতিত নিজৰ ফৰজসমূহ আদায় কৰাৰ তৌফিক দান কৰক।

## সাৰাংশ খোতবা জুমা ৩১ জানুৱাৰী চন ২০১৪

### কৰ্মৰ সংশোধনৰ কাৰণে চাৰিটা বস্তুৰ সহায়ৰ প্ৰয়োজন (১) ঈমান (২) কৰ্ম (৩)নিৰীক্ষণ (৪) জবৰ (বল প্ৰয়োগ)।

হুজুৰ কৈছে যে যোৱা খোতবাত মই ইচ্ছা শক্তি সৃষ্টি কৰা আৰু জ্ঞানৰ দুৰ্বলতা দূৰ কৰাৰ কথা বৰ্ণনা কৰিছিলোঁ। তৃতীয় কথা কৰ্মৰ দুৰ্বলতা কেনেকৈ দূৰ কৰিব পৰা যায় বা কৰ্ম শক্তি কেনেকৈ সৃষ্টি কৰিব পৰা যায় এই বিষয়ে বৰ্ণনা কৰা নাছিলোঁ; এই সম্পৰ্কে আজি মই কিছু ক'ব বিচাৰিছোঁ। ইয়াৰ

কাৰণে বাহিৰৰ চিকিৎসা বা সহায়ৰ প্ৰয়োজন হয় বা ক'ব পৰা যায় যে অইনৰ সহায়ৰ প্ৰয়োজন হয়। কৰ্মৰ সংশোধনৰ কাৰণে এই সহযোগীতা দুই ধৰণৰ হয় (১) প্ৰশিক্ষণকৰ্তা (২) জবৰ (বল প্ৰয়োগ)। ভৱিষ্যতৰ ফালে যেন লক্ষ্য ৰখা হয় বা প্ৰশিক্ষণ যেন কৰি থাকে যাতে বেয়া কাম হ'ব নোৱাৰে। এই ধৰণৰ প্ৰশিক্ষণ পৃথিৱীত হৈয়ে থাকে ঘৰৰ মাজত মা-দেউতাই ল'ৰা-ছোৱালীৰ প্ৰশিক্ষণ কৰি থাকে,বিদ্যালয়ত শিক্ষকে লিখা-পঢ়া কৰোৱাৰ বাহিৰেও ল'ৰা-ছোৱালীক নিৰীক্ষণ কৰি থাকে যেনেকুৱা পথত ট্ৰাফিক বেছি হোৱাৰ কাৰণে কেমেৰা লগোৱা থাকে বা বোৰ্ড লগাই দিয়া হয় যে কেমেৰা লগোৱা আছে। এহবোৰ নিৰীক্ষণৰ এটা পদ্ধতি। অৰ্থাৎ এইবিলাক নিৰীক্ষণৰ উদ্দেশ্য এয়াই হয় যে সেইবিলাক কামৰ পৰা যেন বঞ্চিত থাকে যাৰ ফলত কাজিয়া-বিবাদ সৃষ্টি হয় বা উদ্দেশ্য এয়াও হয় যে সংশোধন যেন হৈ যায়। এইবিলাক নিয়ম-নীতিৰ কাৰণে সমাজত বা পৰিৱেশত যেন শান্তি প্ৰতিষ্ঠিত হয়। অৰ্থাৎ নিৰীক্ষণ কৰোঁতা জনৰো কৰ্মৰ সংশোধন অতি প্ৰয়োজনীয়। নিৰীক্ষণৰ ফলত মানুহে বহু বেয়া কামৰ পৰা আঁতৰি পৰে। মা-দেউতা নিজৰ সীমাৰ ভিতৰত নিৰীক্ষণ কৰি থাকে। মুৰব্বীসকলৰো নিজৰ সীমাবন্ধনৰ ভিতৰত সীমিত থাকি প্ৰশিক্ষণ কৰাৰ প্ৰয়োজন আছে আৰু ব্যৱস্থাপনাৰো নিজৰ সীমাবন্ধনৰ ভিতৰত সীমিত থাকি নিৰীক্ষণ কৰাৰ প্ৰয়োজন আছে। যেতিয়া ইছলামৰ এই শিক্ষা সন্মুখত ৰখা হয় যে প্ৰত্যেক নিৰীক্ষণ কৰোঁতাক নিজৰ নিৰীক্ষণৰ বিষয়ে প্ৰশ্ন কৰা হ'ব তেতিয়া কেৱল মাত্ৰ সিহঁতৰেই সংশোধন নহয় বৰং নিৰীক্ষণ কৰোঁতা সকলৰো নিৰীক্ষণ হৈ থাকিব। অৰ্থাৎ কৰ্মৰ সংশোধনৰ কাৰণে নিৰীক্ষণ কৰাটোও সংশোধনৰ এটা পন্থা হয়।

দ্বিতীয় কথা কৰ্মৰ সংশোধনৰ কাৰণে জবৰ (বল প্ৰয়োগ) অতি প্ৰয়োজনীয়। ইয়াত কোনোবাৰ মনত এই ধাৰণা সৃষ্টি হ'ব পাৰে যে এফালে আমি কওঁ যে ধৰ্মত বল প্ৰয়োগ কৰিব নোৱাৰে, দ্বিতীয় কৰ্মৰ সংশোধনৰ কাৰণে যি চিকিৎসাৰ প্ৰয়োজন সেয়া হ'ল জবৰ (বল প্ৰয়োগ)। এই বিষয়ে জনা দৰকাৰ যে এই জবৰ ধৰ্ম গ্ৰহণ কৰা বা ধৰ্ম এৰি দিয়াৰ কাৰণে নহয়।

প্ৰত্যেকেই স্বাধীন যিয়ে ধৰ্ম গ্ৰহণ কৰিব খোজে গ্ৰহণ কৰিব পাৰে আৰু যিয়ে ধৰ্ম এৰিব খোজে এৰিব পাৰে। ইয়াত জবৰৰ (বল প্ৰয়োগ কৰাৰ) অৰ্থ এয়া যে ধৰ্মৰ লগত জৰিত (সম্পৰ্কিত) হৈ তাৰ পিছত ধৰ্মৰ নিয়ম-নীতি মতে কৰ্ম নকৰা; এফালে তেওঁ জমাতৰ ব্যৱস্থাপনাৰ লগত আছে বুলি কয় তাৰ পিছত ব্যৱস্থাপনাৰ নিয়ম-নীতি ভংগ কৰে এনেকুৱা যদি হৈ আছে তেন্তে তেওৰ বাবে কঠোৰ ব্যৱস্থা লোৱা হ'ব আৰু ইয়াত জবৰ বা বল প্ৰয়োগৰ এয়াই অৰ্থ। যদি নিজামৰ বা ব্যৱস্থাপনাৰ অংশ হৈ থাকিব বিচাৰে তেতিয়া ধৰ্মৰ শিক্ষাৰ ওপৰত কৰ্ম কৰিব লাগিব নতুবা শাস্তি হ'ব পাৰে জৰিমনা হ'ব পাৰে বা আন কোনো ধৰণৰ পন্থাও ল'ব পাৰে। এই সকলো বিলাক কৰাৰ উদ্দেশ্য হ'ল কৰ্মৰ সংশোধন যেন হৈ যায়। জমাতত যেতিয়া নিজাম বা ব্যৱস্থাপনাই শাস্তি দিয়ে তেতিয়া প্ৰকৃততে উদ্দেশ্য হয় কৰ্মৰ সংশোধন। কোনোবাক কোনো কাৰণ নোহোৱাকৈ কষ্ট নিদিয়ে। এনেকুৱা আইন চৰকাৰৰ ফালৰ পৰাও বলবৎ আছে, শাস্তিও দিয়ে, কাৰাগাৰতো সোমাই দিয়ে,জৰিমনাও কৰায় কেতিয়াবা মাৰ পিটাইয়ো কৰা হয়; এই বিলাক কৰাৰ উদ্দেশ্য সমাজত বা পৰিৱেশত শান্তি যেন প্ৰতিষ্ঠিত হয় আৰু অইনক ক্ষতি কৰিব খোজে এনেকুৱা যাতে কৰিব নোৱাৰে। কেতিয়াবা কৰ্মৰ ফলত নিজৰে ক্ষতিগ্ৰস্ত হয় আৰু শাস্তি ভুগিব লগা হয়। কিন্তু এইবিলাক শাস্তিৰ সময়ত সংশোধন কৰাৰ কাৰণে বহু ধৰণৰ পদ্ধতি অৱলম্বন কৰা হয়,যদি কোনোবাক ফাঁচি দিয়া হয়,তেতিয়া এই শাস্তি এই কাৰণেই দিয়া হয় যে তেওঁ কোনোবাক হত্যা কৰিছে, যদি হত্যাকাৰীজন সম্পূৰ্ণ ভাবে স্বাধীনতা পাই যায় তেতিয়া সমাজত শান্তি প্ৰতিষ্ঠিত হ'ব নোৱাৰে আৰু বহু হত্যাকাৰী সৃষ্টি হৈ যাব। অৰ্থাৎ হত্যাৰ শাস্তি হত্যা হোৱাৰ ফলত বহুত এনেকুৱা মানুহৰ সংশোধন হৈ যায় বা সেইবিলাক কাম কৰা বন্ধ হৈ যায় যিসকলে হত্যা কৰাৰ প্ৰয়াস কৰে। অৰ্থাৎএই চাৰিটা পদ্ধতি জমাতৰ সংশোধনৰ কাৰণে অতি প্ৰয়োজনীয়। প্ৰত্যেক ৰোগৰ চিকিৎসা সেই ৰোগৰ ধৰণৰ মতে চিকিৎসা কৰাৰ প্ৰয়োজন আছে। এই কথা মনত ৰখা

উচিত যে যি সময়ত মজহবৰ (ধৰ্মৰ) ওচৰত শাসনকৰ্তা নাথাকে আৰু তৰোৱাল নাথাকে সেই যুগত এই চাৰিটা বস্তুৰ চিকিৎসা অতি আৱশ্যকৰণীয় হৈ যায়। **(১) ঈমান (২) কৰ্ম (৩) নিৰীক্ষণ (৪) জবৰ (বল প্ৰয়োগ)।**

নিজকে হজৰত মছীহ মাওউদ (আঃ)ৰ লগত সম্পৰ্ক গঢ়ি তোলা আৰু খলিফাক পৰিপূৰ্ণ ভাবে অনুসৰণ কৰাৰ প্ৰয়োজন আছে। এই বস্তুৱে জমাতৰ সৰ্বশক্তি আৰু আধ্যাত্মিক উন্নতিৰ পথ হয়। খলিফাৰ মৰ্যাদা আৰু তাৰ সঠিক জ্ঞান জমাতৰ মাজত এনেদৰে সৃষ্টি হোৱা উচিত যে যুগৰ খলিফাৰ প্ৰত্যেক সিদ্ধান্ত আনন্দৰ সৈতে যেন গ্ৰহণ কৰে আৰু মনত যেন কোনো ধৰণৰ সন্দেহৰ সৃষ্টি নহয়। খলিফাক সঠিক ভাবে বুজি পোৱাৰ ক্ষমতা মুৰব্বীসকলৰ কামৰ মাজত এটা গুৰুত্বপূৰ্ণ কাম হয়; আৰু দায়িত্ববান সকলৰ কাৰণেও গুৰুত্বপূৰ্ণ কাম হয়। সিহঁতে যেন এইফালে গুৰত্ব দিয়ে। এনেকুৱা কিছুমান কথা সন্মুখত আহে যে কয় যুগৰ খলিফা এইটো কাম কৰিছে আৰু ভুল সিদ্ধান্ত লৈছে। অমুক অমুক সিদ্ধান্ত এনেকুৱা হ'ব লাগিছিল, কিছুমান সিদ্ধান্তকাৰীৰ সিদ্ধান্তৰ ওপৰত আপত্তি কৰি থাকে বা কয় অমুক ব্যক্তিক অমুক কামত কিয় নিযুক্ত কৰিছে, তেওঁৰ ঠাইত অইনজন হ'ব লাগিছিল। যুগৰ খলিফাক অমুক অমুকৰ বিষয়ে অভিজ্ঞতা আছে আৰু জ্ঞানো আছে। এনেকুৱা কথা কোৱা লোকৰ সংখ্যা অতি নগন্য, কিন্তু পৰিৱেশ বেয়া কৰি দিয়ে। মুৰব্বীসকল আৰু প্ৰত্যেক দ্বায়িত্ববান সকলে নিজৰ দায়িত্বৰ কথা যদি বুজি পায় তেন্তে কোনোবাৰ মনত যি শংকা সৃষ্টি হয় সেইবোৰ নাইকিয়া হৈ পৰিব। বিশেষকৈ মুৰব্বীসকলৰ কাম হয় যে সিহঁতে যেন কয় যে সকলো ধৰণৰ বৰকত জমাতৰ ব্যৱস্থাপনাৰ সহযোগীতাত আছে। আল্লাহ তায়লা যেতিয়া কোনো জাতিৰ মাজত কোনো লাঞ্চনা কৰিব খোজে তেতিয়া তাৰ নিজাম (ব্যৱস্থাপনা) উঠাই লয়। অৰ্থাৎ যেতিয়া প্ৰত্যেকেই এই কথা জানিব পাৰিব তেতিয়া যিসকলৰ ভুল ধাৰণা আছিল তাৰ পৰা মুক্ত হ'ব পাৰিব। এনেকুৱা কিছুমান মানুহ আছে যিসকলে নিজকে জ্ঞানী বুলি ভাবে আৰু ইফালে সিফালে

বহি কথা পাতি থাকে যে খলিফা খোদা নহয় তেওঁয়ো ভুল কৰিব পাৰে যেনেকুৱা সাধাৰণ মানুহে কৰি থাকে। হজৰত খলিফাতুল মছীহ ছানি অৰ্থাৎ দ্বিতীয় খলিফা ইয়াৰ উত্তৰ বৰ ধুনীয়াকৈ দিছে যে যদি খলিফা সত্যৰ ওপৰত প্ৰতিষ্ঠিত আছে তেন্তে সকলো সময়ৰ আৰু গোটেই যুগৰ কাৰণে হয়। যদি খলিফাৰ ওপৰত ঈমান থাকে যে আল্লাহৰ ফালৰ পৰা দিয়া পুৰস্কাৰ হয় তেতিয়া সেই দ্বীন (ধৰ্ম) আৰু সেই নিয়ম যিটো খলিফাই পৃথিৱীত প্ৰতিষ্ঠিত কৰিব খোজে, তেতিয়া আমি নিজে নিজে শপত খাই কৈ থাকো যে আমি এই খিলাফত প্ৰতিষ্ঠিত কৰি ৰাখিম।

## আলিম সকল আৰু মুৰব্বীসকল নিজৰ হৃদয়ৰ সংশোধন কৰক

হজৰত মুচলেহ মাওউদ (ৰাঃ)ৰ এই উপদেশ গুৰুত্বপূৰ্ণ হয় যে যদি আলিমসকল আৰু মুৰব্বীসকলে নিজৰ হৃদয়ৰ সংশোধন কৰে আৰু মানুহৰ মনত আল্লাহৰ প্ৰতি বিশ্বাস, প্ৰেম আৰু ভালপোৱা জগায় তেতিয়া কোটি কোটি মানুহ আহমদী হ'ব ধৰিব; কাৰণ আল্লাহ তায়লা নিজেই কয়,

اِذَا جَآءَ نَصۡرُ اللّٰهِ وَالۡفَتۡحُ ۙ﴿۲﴾ وَرَاَيۡتَ النَّاسَ

يَدۡخُلُوۡنَ فِىۡ دِيۡنِ اللّٰهِ اَفۡوَاجًا ۙ﴿۳﴾ فَسَبِّحۡ بِحَمۡدِ رَبِّكَ

وَاسۡتَغۡفِرۡهُ ؕ اِنَّهٗ كَانَ تَوَّابًا ﴿۴﴾ (110:2-4)

যদি তবলিগৰ মাধ্যমে তুমি ধৰ্ম প্ৰচাৰ কৰিব বিচৰা তেতিয়া এজন এজন দুজন দুজনকৈ মানুহ তোমাৰ ফালে আহিব কিন্তু যেতিয়া তুমি ইছতিগফাৰ আৰু তছবিহ কৰিবা আৰু নিজৰ ভিতৰৰ পাপসমূহ দূৰ কৰাৰ চেষ্টা কৰিবা তেতিয়া দলে দলে মানুহ তোমাৰ ফালে আহিব আৰু তোমাৰ মাজত অৰ্ন্তভুক্ত হ'ব। অৰ্থাৎ আলিমসকলে মোক লিখি থাকে যে আমি অমুকক যুক্তি প্ৰমাণৰ

মাধ্যমে পৰাস্ত কৰি দিছো,পৰাস্ত কৰাটোয়ে সেই উদ্দেশ্য পূৰ্ণ কৰিব নোৱাৰে যিটো নিজৰ কৰ্মৰ সংশোধনৰ দ্বাৰা হ'ব পাৰিব। যদি জমাত উন্নতিৰ ফালে অগ্ৰগতি লাভ কৰিব বিচাৰে; তেতিয়া আমাৰ অইন পদ্ধতি অৱলম্বন কৰিব লাগিব আৰু সেয়া হ'ল কৰ্মৰ সংশোধন। আমি নিষ্ঠাবান হ'ব লাগিব আৰু আমানতৰ (বিশ্বস্ততাৰ) মৰ্যাদা উন্নীত কৰিব লাগিব আৰু বৈধ উপাৰ্জন কৰিব লাগিব আৰু আমাৰ সকলোতকৈ ডাঙৰ অস্ত্ৰ হৈছে দোৱা, তাৰ পৰা সঠিক লাভবান হোৱাৰ বাবে আল্লাহ্ তায়লাৰ এই আদেশ সন্মুখত ৰখাৰ প্ৰয়োজন আছে যে ঈমানক বৃদ্ধি কৰা, পুণ্য কাম কৰা আৰু ব্যৱস্থাপনাৰ নিৰ্দেশ অনুসৰি কৰ্মৰ সংশোধন কৰা। যদি দোৱা আৰু কৰ্মৰ সংশোধন কৰিব পৰা যায় তেতিয়া সত্যিকাৰ অৰ্থে সংশোধন হ'ব পাৰিব। আল্লাহ্ তায়লা আমাৰ প্ৰত্যেককেই কৰ্মৰ সংশোধন কৰাৰ তৌফিক দান কৰক। আমিন-

# সাৰাংশ খোতবা জুমা ৭ ফেব্ৰুৱাৰী চন ২০১৪

## কৰ্মৰ সংশোধন সম্পৰ্কে হজৰত মছীহ মাওউদ (আঃ)ৰ উপদেশ

হুজুৰ (আইঃ) য়ে কৰ্মৰ সংশোধনৰ বিষয়ে খোতবা জুমাত হজৰত মিৰ্জা বশ্বিৰ আহমদ চাহাবৰ ৰিৱায়ত আৰু হজৰত মছীহ মাওউদ (আঃ)ৰ কিছু উপদেশাৱলী উপস্থাপন কৰিছে যিবিলাক নিম্নত উল্লেখ কৰা হ'ল।

হুজুৰ (আইঃ) য়ে কৈছে যে আল্লাহ তায়লা জমাতে আহমদীয়াৰ ওপৰত এই কৃপা আৰু মহামহিম অৰ্পিত কৰিছে যে যেতিয়া যুগৰ খলিফা কোনো ৰচনাৰ ফালে মনোযোগ আকৰ্ষণ কৰোৱায় আৰু যদি এয়া সংশোধনৰ বাবে হয় তেতিয়া জমাতৰ বেছি ভাগে সংশোধনৰ প্ৰতি মনোযোগ দিয়ে; যাৰ অনুভৱ মই চিঠি পত্ৰৰ দ্বাৰা কৰিব পাৰো।কিছু সংখ্যক সহযোগীতাকাৰী সকলে যিটো আল্লাহ্ তায়লা খলিফাক প্ৰদান কৰিছে তেখেত সকলে নিজৰ স্মৃতিৰ ক্ষমতা অনুযায়ী কিছু উদ্ধৃতি ওলাই পঠিয়ায় দিয়ে। হজৰত মিৰ্জা বশ্বিৰ আহমদ চাহাব (ৰাঃ) বৰ্ণনা কৰি কয় যে মৌলৱী ছৈয়দ মহম্মদ ছৰৱাৰ শ্বাহ চাহাবে এসময়ত কোনো কামৰ সম্বন্ধে মিৰ নৱাব নাচিৰ চাহাবৰ লগত মৌলৱী

মহম্মদ আলী চাহাবৰ বিবাদ সৃষ্টি হয়, মিৰ চাহাবে খং কৰি ভিতৰত সোমাই হজৰত চাহাবক খবৰ দিলে যে এনে ধৰণৰ ইখতিলাফ (ভেদাভেদ) হৈছে যাৰ ফলত তেওঁ খং কৰি আছিল। মৌলৱী মহম্মদ আলী চাহাবে এইটোৰ সংবাদ পায় যায় তেতিয়া তেওঁ হজৰত মছীহ মাওউদ (আঃ)ক কয় যে আমি ইয়াতে ৰৈ দ্বীনৰ খেদমত কৰিব পাৰো,কিন্তু যদি হুজুৰলৈ আমাৰ এনেকুৱা অভিযোগ পৌচায়, হুজুৰ এজন মানুহ হয় সম্ভৱত কোনো সময়ত হুজুৰৰ মনত আমাৰ ফালৰ পৰা কোনো কথা সৃষ্টি হ'ব পাৰে তেতিয়া আমি কাদিয়ান আহি লাভবান হ'ব নোৱাৰিম; অৰ্থাৎ ক্ষতি হোৱাৰ সম্ভাৱনা থাকিব। হজৰত চাহাবে কৈছে যে মিৰ চাহাবে মোক কি কৈছে সেই সময়ত মই চিন্তা-ভাৱনাত ইমান মগ্ন আছিলো যে মই আল্লাহৰ শপত লৈ কওঁ যে মই নাজানো মিৰ চাহাবে মোক কি কৈছে বা কোৱা নাই। তাৰ পিছত হুজুৰ কয় যে কিছুদিনৰ পৰা মোৰ মস্তিষ্কত কিছু কথা ইমান তীব্ৰ গতিৰে জাগি উঠিছে যে সেই কথাই মোক অইনৰ কথা শুনাৰ পৰা আঁতৰত ৰাখিছে, সদায় উঠোতে, বহি থাকোতে মোৰ মস্তিষ্কত সেই ধাৰণাই সন্মুখত থাকে মই বাহিৰত মানুহৰ লগত বহি থাকো আৰু কোনো ব্যক্তি মোৰ সৈতে কথা পাতে সেই সময়ত মোৰ মস্তিষ্কই সেই চিন্তা-ভাৱনাই কৰি থাকে আৰু ব্যক্তিজন ভাবি থাকে মই তেওঁৰ কথা শুনি আছো, কিন্তু মই মোৰ চিন্তা-ভাৱনাত মগ্ন থাকো যেতিয়া মই ঘৰত যাওঁ তেতিয়াও মোৰ মস্তিষ্কত সেই চিন্তা-ভাৱনাই কৰি থাকো। সেই চিন্তা-ভাৱনা কি আছিল সেইটো আছিল মোৰ আগমন হোৱাৰ প্ৰকৃততে উদ্দেশ্য কি ? মোৰ আগমনৰ মূল উদ্দেশ্য এয়া যে এখন এনেকুৱা জমাত যেন সৃষ্টি কৰিব পাৰো; যিসকলে সঁচাকৈয়ে যেন মোমিন হ'ব পাৰে আৰু আল্লাহৰ প্ৰতি বিশুদ্ধতাৰে সৈতে যেন বিশ্বাস স্থাপনকাৰী হ'ব পাৰে; আৰু আল্লাহৰ সৈতে যেন দৃঢ় সম্পৰ্ক ৰাখে আৰু হজৰত মহম্মদ (ছাঃ)ৰ নিচিনা সুন্দৰ আদৰ্শবান যেন হ'ব পাৰে, নিজৰ কৰ্মৰ সংশোধন যেন কৰিব পাৰে আৰু আল্লাহৰ প্ৰতি যেন ভয় থাকে যাৰ ফলত আদৰ্শবান ব্যক্তি হ'ব পাৰে আৰু জমাতৰ মাধ্যমে

বিশ্ববাসী সকলে যাতে হিদায়ৎপ্ৰাপ্ত হ'ব পাৰে আৰু আল্লাহৰ সন্তুষ্টি অৰ্জন কৰিব পাৰে। যদি এই উদ্দেশ্যে পূৰ্ণ নহয় অৰ্থাৎ যদিওবা আমি যুক্তি প্ৰমাণেৰে শত্ৰুসকলৰ ওপৰত জয় লাভ কৰো এইটো জয় কোনো বিজয় নহয়,কাৰণ যদি আমাৰ অহাৰ প্ৰকৃত উদ্দেশ্য পৰিপূৰ্ণ নহয় তেন্তে আমাৰ গোটেই বিলাক কাম বিফল হৈ যাব; কিন্তু মই দেখিব পাৰিছোঁ যে যুক্তি প্ৰমাণৰ মাধ্যমে বিজয় প্ৰকাশ্য বাবে নিদৰ্শনৰ সৈতে প্ৰকাশ পাব ধৰিছে আৰু শত্ৰুসকলেও নিজকে দুৰ্বল বুলি অনুভৱ কৰি আছে, কিন্তু মোৰ আগমন হোৱাৰ যি উদ্দেশ্য সেই সম্বন্ধে আমাৰ জমাতৰ মাজত বহু দুৰ্বলতা আছে গতিকে সেই দুৰ্বলতাবোৰক চিহ্নিত কৰি আঁতৰ কৰাৰ বিশেষ প্ৰয়োজন আছে। হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে মই পূৰ্বতে জমাতক কৈছো যে সিহঁতে যেন প্ৰেম-স্নেহৰ সৈতে বসবাস কৰে। আল্লাহ তায়লা মুছলমান সকলক এই শিক্ষা প্ৰদান কৰিছে যে পৰস্পৰে পৰস্পৰৰ সৈতে ভ্ৰাতৃত্ব বন্ধনত যেন অটুট থাকে নহ'লে বতাহত উৰি যাব। নমাজত এজনে আনজনৰ লগত মিলি থিয় হোৱাৰ আদেশ আছে যাতে তোমালোকৰ মাজত ঐক্যবদ্ধ শৃংখলা সৃষ্টি হয়। ৰছুলে কৰিম (ছাঃ)য়ে কৈছে যে নিজৰ মাজতে প্ৰেম-স্নেহ সৃষ্টি কৰা আৰু এজনে আনজনৰ বাবে গোপনে দোৱা কৰা। এতিয়া আমাৰ প্ৰত্যেকে জায়েজা লোৱা উচিত যে এজনে আনজনৰ বাবে গোপনে কিমান সময় দোৱা কৰি থাকো, এজন মানুহ যদি গোপনে দোৱা কৰি থাকে তেতিয়া ফিৰিস্তাই কয় যে তোমাৰ এনেকুৱাই হওঁক, কিমান উন্নত ধৰণৰ কথা হয়। মানুহৰ দোৱা গৃহীত নহ'লেও ফিৰিস্তাবিলাকৰ দোৱা নিশ্চয় গৃহীত হয়। মই ওৱাজ নচীহত কৰি থাকো যে নিজৰ মাজতে যেন কোনো ধৰণৰ বিশৃংখলা সৃষ্টি নহয়।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে মই দুটা উদ্দেশ্য লৈ আহিছোঁ আল্লাহক এক ঈশ্বৰবাদ মান্য কৰা। দ্বিতীয় পৰস্পৰ পৰস্পৰৰ সৈতে সহানুভূতি আৰু প্ৰেম স্নেহৰ সৈতে বসবাস কৰা আৰু কৃপা দৃষ্টি প্ৰকাশ কৰা; আৰু আদৰ্শ এনেকুৱা হ'ব লাগিব যেনেকুৱা আদৰ্শ চাহাবা সকলৰ মাজত সৃষ্টি হৈছিল।

যাৰ ফলত নিদৰ্শনসমূহ প্ৰকাশিত হৈছিল।

(3:104) اِذْ كُنْتُمْ اَعْدَآءً فَاَلَّفَ بَيْنَ قُلُوْبِكُمْ

**অনুবাদ** ঃ-যেতিয়া তোমালোক পৰস্পৰৰ শত্ৰু আছিলা তেতিয়া তেওঁ তোমালোকৰ অন্তঃকৰণত পৰস্পৰৰ প্ৰেম স্থাপন কৰিছিল। (ছুৰা আল ইমৰান আয়াত ১০৪)

তোমাৰ প্ৰত্যেকৰ মাজত এনেকুৱা যেন হয় যে যিটো বস্তু তুমি নিজৰ কাৰণে পছন্দ কৰা সেইটো তোমাৰ ভাইসকলৰ কাৰণেও পছন্দ কৰিবা যদি এনেকুৱা নহয় তেন্তে তেওঁ মোৰ জামাতত নাই; তেওঁ অসুবিধাৰ সন্মুখীন হ'ব, তেওঁৰ পৰিণাম ভাল নহ'ব। মনত ৰখা উচিত যে কূটনীতিৰ পৰা আঁতৰত থকা মাহদীৰ চিহ্ন হয় আৰু এই চিহ্ন পৰিপূৰ্ণ নহ'বনে? নিশ্চয় পৰিপূৰ্ণ হ'ব, তুমি কিয় ধৈৰ্য ধাৰণ নকৰা যেনেকুৱা ৰোগত আক্ৰান্ত হয় যেতিয়ালৈকে ৰোগৰ চিকিৎসা কৰা নহয় তেতিয়ালৈকে ৰোগৰ পৰা মুক্তি নাপায়। মোৰ বংশৰ পৰা ইনশ্বা আল্লাহ তায়লা এটা সত্যবাদী জমাত প্ৰতিষ্ঠিত হ'ব। পৰস্পৰৰ মাজত শত্ৰুতাৰ কাৰণ কি হয়,কৃপণতা,নিজৰ পছন্দনীয়তা আৰু উল্লাসিৎ। এনেকুৱা গোটেই মানুহবিলাকক জমাতৰ পৰা পৃথক কৰি দিম; যিজনে নিজৰ উৎসাক নিয়ন্ত্ৰণ কৰিব নোৱাৰে আৰু পৰস্পৰে প্ৰেম-স্নেহ আৰু ভাতৃত্ববন্ধনৰ সৈতে থাকিব নোৱাৰে; সিহঁতে মনত ৰাখক সিহঁত কেইদিনৰ অতিথী হয়। যদি উন্নত ধৰণৰ আদৰ্শবান ব্যক্তি হ'ব নোৱাৰে মই এনেকুৱা মানুহৰ কাৰণে নিজৰ ওপৰত অপবাদ ল'ব নিবিচাৰো; এনেকুৱা ব্যক্তি যিয়ে মোৰ জমাতত থাকি মোৰ ইচ্ছা অনুযায়ী প্ৰতিফলিত নহয় তেওঁ হ'ল শুকান গছৰ শাখা সেইটোক বাগানৰ মালিকে নিশ্চয় কাটিবই। নীৰস শাখা-প্ৰশাখাই সতেজ শাখাৰ লগত থাকি পানী হয়তো টানি থাকে কিন্তু সতেজ হ'ব নোৱাৰে; অৰ্থাৎ সেই নীৰস শাখাই অইন শাখা-প্ৰশাখাক নীৰস কৰি পেলায়। মোৰ লগত থাকি ভয় কৰা নতুবা ৰোগৰ চিকিৎসা কৰিব নোৱাৰিবা। আকৌ হুজুৰ কয় যে, মনত ৰখা মাএ শব্দ আৰু মুখৰ কথা কামত আহিব নোৱাৰে যেতিয়ালৈকে

কৰ্ম নাথাকিব। মাত্ৰ কথা আল্লাহৰ ওচৰত কোনো অৰ্থ নাৰাখে, আল্লাহ তায়লা কৈছে,

كَبُرَ مَقْتًا عِنْدَ اللّٰهِ اَنْ تَقُوْلُوْا مَا لَا تَفْعَلُوْنَ ۝٤

(61:4)

**অনুবাদ ঃ-** তোমালোকে প্ৰকৃততে কৰ্ম নকৰা কথাষাৰ কোৱাটো আল্লাহৰ কাৰণে অতিশয় বিৰক্তিকৰ।(ছুৰা চাফ আয়াত ৪)

এই কথাষাৰৰ ওপৰত ভিত্তি কৰি কয় যে যদি তুমি ইছলামৰ খেদমত কৰিব খোজা তেতিয়া আল্লাহক ভয় কৰা আৰু পৱিত্ৰ হোৱা; আৰু কৈছে যে **ছাবিৰু ওৱা ৰাবিতু,** চুৰা আল ইমৰানৰ আয়াত হয়। যেনেকুৱা শত্ৰুৰ মোকাবিলা কৰাৰ কাৰণে Border ত ঘোঁৰাৰ দৰকাৰ যাতে শত্ৰুসকলে বৰ্ডাৰ পাৰ হ'ব নোৱাৰে, এনেকুৱা তুমিও সাজু থাকা এনেকুৱা যাতে নহয় যে শত্ৰুসকল বৰ্ডাৰ পাৰ হৈ ইছলামৰ ক্ষতি কৰিব পাৰে। মই প্ৰথমে বৰ্ণনা কৰিছোঁ যে যদি তুমি ইছলামৰ সহায় আৰু খেদমত কৰিব খোজা প্ৰথমে নিজে আল্লাহক ভয় কৰা আৰু পৱিত্ৰ হোৱা যাৰ ফলস্বৰূপ তুমি আল্লাহৰ ৰক্ষণা-বেক্ষণত আহিব পাৰিবা। তোমালোকে চাই আছা যে মুছলমানসকলৰ বাহ্যিক শক্তি কেনেদৰে দুৰ্বল হৈ পৰিছে। জাতিয়ে সিহঁতক ঘৃণনীয়া অৱস্থাত চাই আছে আৰু নিম্ন শ্ৰেণীৰ বুলি ভাৱি আছে, আজি আমি যি দেখা পাই আছো সেয়া পূৰ্বতকৈ আৰু বেছি বেয়া পৰিস্থিতি। হুজুৰ কয় যে যদি তোমালোকৰ আভ্যন্তৰীণ আৰু মনৰ শক্তি দুৰ্বল হৈ পৰে তেতিয়া শেষ হৈ যোৱা বুলি ভৰা। তুমি নিজৰ হৃদয় এনেদৰে পৰিষ্কাৰ কৰা আল্লাহৰ শক্তি যেন তোমাৰ ওপৰত প্ৰতিফলিত হয় আৰু বৰ্ডাৰৰ ঘোঁৰাৰ নিচিনা শক্তিশালী হৈ সুৰক্ষাকাৰী যেন হ'ব পাৰা। আল্লাহৰ কৃপা সৰ্বদা মুত্তাকি সকলৰ লগত থাকে; নিজৰ চৰিত্ৰ যাতে এনেকুৱা নহয় যাৰ ফলত ইছলামত দাগ লাগি যায়। কেতিয়াবা মুছলমান সকলে সুৰা পান কৰি বমি কৰি দিয়ে,পাগৰি ডিঙিৰ মাজত থাকে,বেয়া নল-নৰ্দমাৰ মাজেদি ঘূৰা ফুৰা কৰি থাকে,পুলিচে জুতা মাৰি থাকে হিন্দু আৰু খ্ৰীষ্টান সকলে তেওঁক চাই

হাঁহিব ধৰে। অৰ্থাৎ তাৰ বেয়া প্ৰভাৱ ইছলামৰ ওপৰত পৰে। মই এনেকুৱা সংবাদ পাই বা কাৰাগাৰৰ ৰিৰ্পোট পঢ়ি বৰ দুঃখিত হওঁ। মুছলমান সকলে বেয়া কৰ্ম কৰি অকল মাথোন নিজৰেই ক্ষতি কৰা নাই; বৰং ইছলামৰ দুৰ্নাম্‌হে কৰি আছে। মুছলমান সকলে নিজকে মুছলমান বুলি পৰিচয় দি অপছন্দীয় (ঘৃণনীয়) কামত লিপ্ত হৈ যোৱাটো অকল মাথোন তেওঁৰে বদনাম নহয়; বৰং ইছলামক শংকাৰ মাজত পেলাই দিয়ে। নিজৰ আচাৰ-আচৰণ এনেকুৱা বনাওঁক শত্ৰুসকলেও যেন তোমাৰ দুৰ্বলতা বিচাৰি নাপায়। অৰ্থাৎ তাকৱাৰ ওপৰত চলা, নিজৰ কৰ্মৰ সংশোধন কৰা,নিজৰ ঈমানৰ মৰ্যাদা উন্নীত কৰা, এইবিলাক সাধাৰণ কথা নহয়। আমি যুগৰ ইমামক মানিছো গতিকে তেখেতৰ ইচ্ছানুযায়ী প্ৰতিফলিত হোৱাৰ বাবে সম্পূৰ্ণ ৰূপে চেষ্টা - প্ৰচেষ্টা কৰিব লাগিব। প্ৰত্যেকেই পুণ্য কৰ্ম কৰিব লাগিব আৰু বেয়া কৰ্ম এৰিব লাগিব, প্ৰেম-স্নেহ আৰু ভ্ৰাতৃত্ববন্ধনৰ সৈতে বসবাস কৰিব লাগিব, পৰস্পৰে পৰস্পৰৰ সহযোগীতা কৰিব লাগিব; তেতিয়াহে আমি বয়াত গ্ৰহণৰ অধিকাৰ পালন কৰিব পাৰিম। আল্লাহ তায়লা আমাক তৌফিক দান কৰক। আমিন-